হোৱাৰ পাছৰ পৰাহে ক্ষমতাপুৰ্ণ। ই “আল্লাহ”ৰ বৈশিষ্টৰ পৰিপন্থী। ইয়ে মছীহি ত্ৰিত্ববাদ পৃষ্ঠপোষক নহয়।

“আল্লাহ” হ’ল আত্মা (বা ৰূহু) আৰু জ্ঞান (বা মন) আৰু তেওঁ স্বৰ্গীয় ব্যক্তি। এই ধৰণে আমি পিতৃ “আল্লাহ”, পুত্ৰ “আল্লাহ” আৰু পবিত্ৰ আত্মাৰ তিনিজহৈ স্বৰ্গীয় ব্যক্তি। ত্ৰিত্বৰ এজনৰ লগত অন্যজনৰ কোনো পাৰ্থক্য নাই। আশা কৰো মোৰ এই ক্ষুদ্ৰ আলোচনাৰ যোগেদি পঢুৱে সকলে অলপ হ’লেও পিতৃ, পুত্ৰ আৰু পাক ৰূহু আৰু ত্ৰিত্ববাদ সৰ্ম্পকে বুজিব পাৰিছে। এই বিষয়ে আপোনাৰ কিবা জানিব লগা থাকিলে আমাক নিশ্চয় জনাব।

ইয়াৰ লগতে তলৰ প্ৰশ্ন সমূহৰ উত্তৰ লিখি আমালৈ পঠিয়াই দিয়ক। সৰ্ম্পু শুদ্ধ উত্তৰ দিওঁতাক আমি আমাৰ প্ৰকাশিত আন কিতাব পঠিয়াই দিব পাৰিম। যদি আপুনি এই পত্ৰিকাখন মনোযোগেৰে পঢ়িছে, তেন্তে তলৰ প্ৰশ্নবোৰৰ উত্তৰ অতি সহজতে দিব পাৰিব।

**প্ৰশ্ন ঃ**

১। মছীহি সকলে তিনিজনক নহয় মাত্ৰ এজন আল্লাহক বিশ্বাস কৰাটো কেনেকৈ প্ৰমান কৰিব?

২। পবিত্ৰ ত্ৰিত্ববাদৰ একত্বক আপুনি কেনেকৈ ব্যাখ্যা কৰিব?

৩। গ্ৰীক শব্দ "Logos" ৰ অৰ্থ কি? আৰু কিয় ইয়াক মাত্ৰ আল্লাহৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰিব পাৰি?

৪। মছীহৰ পুত্ৰত্বৰ সম্বন্ধটো পিতৃ আল্লাহৰ লগত কেনেকুৱা অৰ্থত বুজাই দিয়ক।

৫। মছীহি ত্ৰিত্ববাদ আৰু বিৰ্ধমী সকলৰ (পৰজাতীয়) ত্ৰিত্ববাদৰ পাৰ্থক্য কি?

৬। এৰিয়াছ আৰু অন্য দাৰ্শনিক (নিঅ’ প্লেট’নিষ্ট) সকলৰ নাস্তিকতাৰ ওপৰত মছীহি উত্তৰ কি?

সম্পূৰ্ণ ঠিকনাৰে সৈতে আপোনাৰ উত্তৰবোৰ এই ঠিকনালৈ পঠাই দিয়ক।

*দ্বাৰ-উল-মছীহ,*
ডাক বাকচ নং ঃ ২৩৪,
গুৱাহাটী-৭৮১০০১

b b b



# পাতনি

**“আমি কিদৰে মোনাজাত কৰো”** কিতাব খনৰ প্ৰথম বাংলা সংস্কৰণ ওলাইছিল ১৯৮ চনত, কলিকতাৰ **‘দি গুড্ ৱে’** অনুষ্ঠানৰ পৰা। তেতিয়াৰ পৰাই ইয়াৰ অসমীয়া সংস্কৰণ প্ৰয়োজন অনুভৱ কৰা হৈছিল, যদিও অসমত তেনে কোনো অনুষ্ঠানে অসমীয়া প্ৰকাশ দায়িত্ব লোৱা নাছিল। *দ্বাৰ-উল-মছীহ*’ৰ জন্ম-লগ্নৰে পৰাই (১৯৯৬ চনৰ) ইয়াৰ অসমী সংস্কৰণৰ কথা চিন্তা কৰা হৈছিল। কিন্তু কিছুমান প্ৰাকৃতিক কাৰণত ইমান দিনে সেয়া সম্ভ হোৱা নাছিল। ইয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি প্ৰাৰ্থনাৰে বিভিন্ন শুভাকাঙ্খী সকলৰ প আৰ্থিক অনুদান গ্ৰহণ কৰি ইয়াক অসমীয়ালৈ প্ৰকাশ কৰা হ’ল। কিতাব খনৰ বিষয়ে পঢু সকলক সাধাৰণ ধাৰণা দিব খুজিছো। কিছুমান পঢুৱৈয়ে মোক সুধিছিল মছীহি সকলে নামা বা মোনাজাত কেনেকৈ কৰে। আমাৰ মুছলমান সমাজত প্ৰচলিত ব্যয়াম সদৃশ নামাজ আদব-কায়দা মতে মছীহি সকলে মোনাজাত নকৰে। কিন্তু মোনাজাতৰ যি প্ৰকৃত নিয় খোদা পাকৰ লগত ৰূহুৰে আৰু সত্যৰে সকলো সময়তে আৰু সকলে ঠাই বা পৰিবেশ মোনাজাত কৰিব পাৰি বুলি হজৰত ঈছা-মছীহৰ তালিমত পোৱা যায়।

পঢুৱৈ সমাজৰ জ্ঞাতাৰ্থে জনাওঁ যে, এই কিতাব খনি “মূল ইংৰাজী” “HOW D WE PRAY” ৰ প্ৰথম অসমীয়া সংস্কৰণ। অনুবাদ কাৰ্যত ভাই ছাহজাহান আলি আ শ্ৰীমতী জিতুমনি মেধিয়ে সহায় কৰা কাৰণে তেওঁলোকলৈ ধন্যবাদ। কিন্তু পূৰ্ণ পৰ্যায় অনুবাদ কৰিছে শ্ৰীযুত নিজামুল হক ডাঙৰীয়াই। এইখিনিতে তেখেতলৈও আমাৰ আন্তৰি ধন্যবাদ থাকিল। মূল আৰবী কিতাব খনিৰ লিখক শ্ৰীযুত ইস্কান্দাৰ জাদীদ, আৰৱত এ মুছলীম পৰিয়ালত জন্ম হোৱা ও পৰৱৰ্ত্তী জীৱনত মছীহি বিশ্বাসত অহা এজন বিখ্যা আলেম।

এই কিতাব খনিৰ শেষত তৃতীয় পোপৰ এটি ভাষণ পাপ শেনুধাৰ ভাষণ “তৌহিদব আৰু ত্ৰিত্ববাদ” টো পঢুৱৈ সকলৰ জ্ঞাতাৰ্থে যোগ দিয়া হৈছে।

অসমীয়া সংস্কৰণত অজানিতে বৈ যোৱা ভুলৰ বাবে ৰাইজে ক্ষমা কৰে যেন। শেষ কওঁ, কিতাবখনে পঢুৱৈ সমাজক এই বিষয়ে সামগ্ৰিক দিশত উপকৃত কৰিব পাৰিলে আম পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাৱিম। মহান খোদাৰ মহব্বত, হজৰত ঈছামছীহৰ অনুগ্ৰহ পাক ৰূহুৰ সহভাগিতা আপোনালোক সকলোৰে লগত থাকক। খোদা হাফিজ।

**খুৰছিদ আলম**, সম্পাদক
*দ্বাৰ-উল-মছীহ*
গুৱাহাটী, ৭ ডিচেম্বৰ, ২০০৩ চন।

PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# “আমি কিদৰে মোনাজাত কৰো”

Assamese Translation of “ **HOW DO WE PRAY** ”

by : ***Iskander Jadeed***

Published by :

**The Good Way**

Rikon, Switzerland

অসমীয়া সংস্কৰণ ঃ ডিচেম্বৰ, ২০০৩ (by ***Dar-Ul- Masih***)

***দ্বাৰ-উল-মছীহ,***
ডাক বাকচ নং ঃ ২৩৪,
গুৱাহাটী-৭৮১০০১

1000 Copies

Price Rs. : 5/- Only.

Printed at **“ComPress”**, Ambari, Guwahati-1.

বিঃ দ্রঃ কোৰাণ শ্বৰীফৰ অসমীয়া উদ্ধৃতি সমূহ, “*অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েৎপুৰ, গুৱাহাটী - ৩*”ৰ পৰা প্ৰকাশিত, **অধ্যাপক ছৈয়দ ছামচুল হুদা, (এম্ . এ.)** অনুদিত “**কোৰাণ বোধ**”ৰ পৰা লোৱা হৈছে।

ত্ৰিত্ববাদত নাই। এইটো সময়ৰ ক্ষেত্ৰতো খাপ নাখায়। সিহঁতৰ গল্পটো হ’ল এসময়
অছিৰিচ আছিল আৰু আইছিচ বিবাহৰ পূৰ্বেই আছিল। সিহঁতৰ বিবাহৰ পাছত হোৱাছ
জন্ম হ’ল আৰু স্বাভাৱিকতেই হোৰাছ বয়সত সিহঁতকৈ কম হ’ব।

যিহওক মছীহি ত্ৰিত্ববাদত তিনিজনৰ সময়ৰ কোনো পাৰ্থক্য নাই। কাৰণ আল্লাহ পাক
অনন্তকলীয়া স্থিতি; তেওঁৰ মন (বা পুত্ৰ) আৰু পাক ৰূহু সদায় আছে। ইয়াত কোন আগত
কোন পাছত সেই ধাৰণা নাই। মছীহি ত্ৰিত্ববাদৰ ধাৰণাটো আজি বা যোৱাকালি বিকশি
হোৱা নাই, ই মছীহি সকলৰ সাৰ্থপৰ আবিস্কাৰো নহয়, ই অনাদি কালৰ পৰা অনন্ত কাললৈকে
স্থিত হৈ আছে।

## মছীহি ত্ৰিত্ববাদ আৰু নাস্তিকতা

এৰিয়ান নাস্তিকতাত এৰিয়াছে কৈছিল যে পুত্ৰ সৃষ্টি কৰা হৈছিল। এইদৰে পবি
ত্ৰিত্ববাদ সৰ্ম্পকে তেওঁৰ অজ্ঞতা দেখুৱাইছিল। যদি তেওঁ পুত্ৰক আল্লাহৰ “মন” বু
বুজিলেহেতেন, তেন্তে আল্লাহৰ “মন” বা “ইচ্ছাক” সৃষ্টি কৰাটো অসম্ভৱ বুলি বুজিলেহেঁতেন
ইয়াৰ অৰ্থ এইটো যে ত্ৰিত্ববাদ সৃষ্টিৰ পূৰ্বৰে পৰা প্ৰতিষ্ঠিত। যিকোনো সময়তে আল্লা
মনবিহীন বা ইচ্ছাবিহীন হোৱাতো দূৰে থাকক। সেই কাৰণে পুত্ৰ সৃষ্টি কৰাটো অসম্ভৱ
অনাদিকালৰে পৰা আল্লাহ আৰু তেওঁৰ ‘মন’ অৱস্থিত। সময়ৰ প্ৰয়োজনত পুত্ৰই মাংসিক
শাৰীৰিক ৰূপত আৱিৰ্ভাব হ’ল ঠিকেই, কিন্তু ‘পুত্ৰ’ মাংসিক বা শাৰীৰিক ৰূপ লোৱাৰ পূৰ্ব
পৰা প্ৰতিষ্ঠিত।

পাক ৰূহুৰ কথাত যি সকলে ইয়াক ( পাক ৰূহু) সৃষ্টি হোৱা বুলি কয় তেওঁলো
পবিত্ৰ ত্ৰিত্ববাদক ভূলকৈ বুজে। কেনেকৈ আল্লাহে তেওঁৰ পবিত্ৰ আত্মাৰ পূৰ্বতে প্ৰতিষ্ঠি
হ’ব পাৰে? এইটোক এনেকৈহে কব পাৰি যে আল্লাহ, তেওঁৰ ‘মন’ আৰু ‘আত্মা’ (ৰূহ
অনাদি কালৰে পৰা আছে। “আল্লাহ” শব্দটো এই তিনি জনৰ যিকোনোকে প্ৰয়োগ কৰি
পাৰি। এই কাৰণে আমি কওঁ পিতৃ “আল্লাহ” পুত্ৰ “আল্লাহ” আৰু পবিত্ৰ আত্মা আল্লাহ
এই অৰ্থত যে কোনেও কাৰো পৰা পৃথক নহয়। তিনিটা অভিন্ন তথা সম্পুৰ্ন সত্তাৰ সমা
মিলি এটা বিষয়।

নিঅ’ প্লেট’নিষ্ট দৰ্শনতত্বৰ প্ৰতিষ্ঠাপক সকলৰ মতে “আল্লাহ”ৰ কোনো পদাৰ্থ বা ব
সৃষ্টি তত্বৰ লগত পোনপতীয়া সংযোগ নাই। ফলস্বৰূপে তেওঁ এজন মধ্যস্থ ব্যক্তি সৃ
কৰিছিল, যাৰ এই পদাৰ্থ তত্বৰ লগত সংযোগ আছিল। এই মধ্যস্থ ব্যক্তি জনে স্বৰ্গীয় ব্যা
(আল্লাহ) আৰু পদাৰ্থ তত্ব (মানুহ) ৰ মাজত মধ্যস্থতা কৰে। অৰ্থত এই মধ্যস্ত ব্যক্তিজনে
সকলো বস্তু সৃষ্টি কৰে। এই দৰ্শন তত্বটোৰ প্ৰতি মছীহি প্ৰত্যোত্তৰ হ’ল যে আমি “আল্লাহ”
দ্বাৰা কোনো পদাৰ্থ সৃষ্টি কৰাত একো সমস্যা নেদেখো। যেতিয়া এই মধ্যস্থতাকাৰীজন সৃ
হ’ল, তেওঁক নিশ্চয়কৈ “আল্লাহ” বুলিব নোৱাৰি, কাৰণ এটা সময় আছিল যি সময়ত সে
জনৰ অস্তিত্ব নাছিল। ইয়াৰ পৰা আমি দেখো যে এনে এজন “আল্লাহ” বিশ্বব্ৰহ্মাণ্ড সৃ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তোমালোকে গুনাহ নকৰা--"। তৌৰাৎ শ্বৰীফত হিতোপদেশত পুত্ৰক "জ্ঞান" বুলিও কোৱা হৈছিল। স্বৰ্গীয় আৰু পাৰ্থিব জ্ঞানৰ অৰ্থত কিতাপখনত আছে, আমি যেতিয়া কওঁ পিতৃয়ে পুত্ৰৰ দ্বাৰা পৃথিৱীখন সৃষ্টি কৰিলে-- যিটোৰ অৰ্থ পিতৃয়ে তেওঁৰ ইচ্ছাৰে, চিন্তাৰে আৰু জ্ঞানেৰে পৃথিৱীখন সৃষ্টি কৰিলে। এইদৰেই পিতৃয়ে সৃষ্টি কৰাটোক পুত্ৰই সৃষ্টি কৰিলে বুলিওঁ কওঁ। অৰ্থাত পিতৃয়ে সৃষ্টি কৰিলে আৰু পুত্ৰই সৃষ্টি কৰিলে দুয়োটাই একে কথা।

## অধৰ্মী বিলাকৰ ত্ৰিত্ববাদ

যিটো বিষয়ত ইছলামীক পণ্ডিত সকলে আপত্তি কৰে সেইটো মছীহি ঈমানৰ সৃষ্টিকৰ্ত্তাৰ বিষয়টো নহয়। ইছলামৰ আক্ৰমণৰ মুল সাক্ষ্য কোৰাণৰ শ্বৰীফৰ মতেঃ "*তেওঁ আকাশমন্ডল আৰু পৃথিৱীৰ উদ্ভাৱক। তেওঁৰ সন্তান কেনেকৈ হব পাৰে! যিহেতু তেওঁৰ কোনো জীৱন-সংগিনীয়েই নাই। তেৱেঁই সকলো বস্তুকে সৃষ্টি কৰিছে। প্ৰতিটো বস্তু সম্পৰ্কে তেওঁ অভিজ্ঞ।* (ছুৰা আল-আনআম ১০১ আয়াত)। এইটো এটা ভুল যিটো ইছলাম আৰু মছীহি ঈমানেও বিৰোধ কৰে। ইছলাম আৰু মছীহি দুয়োটা মত অনুসৰি যিজনে আল্লাহই পত্নীৰ যোগেদি পুত্ৰ হোৱা বোলে, তেওঁক বিধৰ্মী কোৱা হয়। ত্ৰিত্ববাদ যিটো ইছলাম আৰু মছীহি ঈমানে বিৰোধ কৰে সেইটো বিধৰ্মী সকলৰ ত্ৰিত্ববাদ। এটা উদাহৰণ হ'ল পৌৰাণিক ধৰ্ম্ম যত আইছিচ, অছিৰিচ আৰু সিহঁতৰ পুতেক হোৰাছৰ ত্ৰিত্ববাদ। এই ত্ৰিত্ববাদটো ইছলাম উদ্ভৱ হোৱাৰ বহু পূৰ্বেই মছীহি সকলে বিৰোধীতা কৰিছিল। পৰিতাপৰ কথা যে ইছলামে পোনে পোনে মছীহি ঈমানক দোষাৰোপ কৰে। তেওঁলোকে ত্ৰিত্ববাদৰ উল্লেখ কৰি-- আল্লাহক পিতৃ, ঈছা মছীহক পুত্ৰ আৰু কুমাৰী মৰিয়মক মাতৃৰ ৰূপ দিয়ে। কোৰণ শ্বৰীফত এনেদৰে প্ৰতিৰোধ কৰা আছে-" *আৰু আল্লাহে যেতিয়া সুধিব- 'হে মৰিয়ম পুত্ৰ ঈছা, তুমি মানুহবিলাকক এইবুলি কৈছিলা নেকি 'আল্লাহৰ লগত মোক আৰু মোৰ মাকো উপাস্য কৰি লোৱা'? উত্তৰত ঈছাই কব-'আল্লাহ মহামহিম, যি বিষয়ে কোৱাৰ মোৰ কোনো অধিকাৰ নাই, তেনে কথা মই কেতিয়াও কোৱা নাই....*" (ছুৰা আল-মায়িদা ১১৬ আয়াত)। আমিও ত্ৰিত্ববাদত পিতৃ আল্লাহ, তেওঁৰ পুত্ৰ ঈছা মছীহ আৰু তেওঁৰ কুমাৰী মাতৃক আল্লাহৰ সংগিনী বুলি অস্বীকাৰ কৰো। প্ৰকৃততে এই বিষয়টো ইছলামৰ লগতে আমিও বিৰোধীতা কৰো। কুমাৰী মৰিয়মক দেৱী বুলি কিতাবুল মোকাদ্দাছে শিকোৱা নাই। বিপৰীতে যিজনে কুমাৰী মৰিয়মক দেৱী বুলি কয় তেওঁ বিধৰ্মীহে হব।

মছীহি ত্ৰিত্ববাদত তিনিজন ব্যক্তি সম্পূৰ্ণৰূপে সমানঃ পিতৃ নিজে পুত্ৰ আৰু ৰূহুৰ সমান, তাত কোনো অসংযোগ বা পৃথকীকৰণ নাই। সিহঁত একেলগে অনন্তকলীয়া, এইটোৱেই বিধৰ্ম্মীৰ ত্ৰিত্ববাদৰ পৰা মছীহি ত্ৰিত্ববাদৰ পাৰ্থক্য দেখুৱাই। বিধৰ্ম্মীৰ ত্ৰিত্ববাদত আইছিচ, অছিৰিচ আৰু সিহঁতৰ পুতেক হোৰাছ তিনিজন এক নহয়। কিন্তু মছীহি ত্ৰিত্ববাদত পিতৃ, পুত্ৰ আৰু পাক ৰূহ একে জনাই।

বিধৰ্ম্মী সকলৰ ত্ৰিত্ববাদত শাৰীৰিক সম্বন্ধীয় বা প্ৰজনন উপাদান আছে যিটো মছীহি



(প্ৰথম খণ্ড)

## ১। মোনাজাত নো কি ?

এবাৰ এজন বিখ্যাত দাৰ্শনিকে কৈছিল, "মোনাজাত হ'ল সৰ্বোচ্চ আৰু গভীৰত
কিন্তু স্বাভাৱিক ভাবে প্ৰকাশ পোৱা ৰূহানী এক অভিব্যক্তি যি খোদায়ে ইচ্ছা কৰা সময়লৈ
চলি থাকে"। সকলো ধৰণৰ মানুহৰ মাজতে তেওঁ লাগে যি শ্ৰেণীৰে, ভাষা-ভাষীৰে
ধৰ্মৰে নহওঁক কিয়, এবাদত বা মোনাজাতত জোৰ দিয়া দেখা যায়। বিভিন্ন বিষয়ক লৈ ভি
ভিন ধৰণেৰে আৰু উপায়েৰে ইয়াক সকলো ঠাইতে আৰু সকলো সময়তে কৰা দেখা যা
এনেকি আদিম জনগোষ্ঠীৰ মাজতো ইয়াৰ অভ্যাস আছিল।

কিছুমান মানুহে তেওঁলোকৰ মোনাজাতৰ উত্তৰ নাপাই নাইবা কোনো ফল নেদে
নিৰাশ হয় যদিও মোনাজাত কৰিবলৈ এৰি নিদিয়ে, কাৰণ তেওঁলোকৰ অন্তৰৰ গভীৰ
মোনাজাত কৰি থকাৰ অভিপ্ৰায়ৰ তাগিদা থাকে। মোনাজাতৰ সমৰ্থনত প্ৰমাণ বিচাৰি যেতি
এজনে প্ৰশ্ন কৰিছিল, তেতিয়া সত্যতাবোৰেৰে অনুপ্ৰাণিত হৈ চমুৰেল জনছনে কৈছি
"মোনাজাতৰ কোনো বাহিৰা প্ৰমাণৰ দৰকাৰ নাই, কিয়নো ইয়াৰ প্ৰমাণ ৰূহৰ ভিতৰ
থাকে। উশাহ লোৱা, খোৱা-বোৱা কৰা আদিৰ দৰেই অস্তিত্ব ৰক্ষা কৰিবৰ বাবে ই মানু
স্বাভাৱিক কামৰ দৰে হৈ পৰে"।

প্ৰাচীন ইতিহাসে আমাক কয় যে সভ্যতা আৰু দৰ্শনৰ পৃষ্ঠভূমি গ্ৰীকসকলৰ মাজ
ৰূহানী এবাদতত তেওঁলোক পৰিপূৰ্ণ আছিল। দাৰ্শনিক জেৰুফাৰেও (Zerophar) দি
আৰম্ভনিতেই মোনাজাত কৰি লৈহে নিজৰ কাম-কাজত হাত দিছিল। পেৰিক্লিচে (Pericles
তেওঁৰ প্ৰত্যেক ভাষণৰ আগতে অলপ মোনাজাত কৰি লৈছিল। কবি হোমাৰে (Home
তেওঁৰ বিখ্যাত কাব্যটিৰ ৰচনা মোনাজাতৰ কথাৰে আৰম্ভ কৰিছিল। প্লেটোৱে (Pleto
কৈছিল, "জীৱনত কিবা কৰাৰ আগেয়ে সকলো বুদ্ধিমান লোকে খোদাৰ পৰা সহায় ভি
কৰে"।

এবাদত যে মানুহৰ স্বাভাৱিক কাম আৰু সেইয়া যে আৰ্জিত বস্তু নহয়, তাৰ এটা ডা
প্ৰমাণ হ'ল এইয়ে যে, সভ্যতা আৰু বিজ্ঞানৰ মানুহে যিমানেই উন্নত আৰু আগ নাবাঢ়
কিয়, তেওঁলোকে নিজৰ বাবে মোনাজাতৰ আৰু প্ৰমাণ নাই বুলি ভাবিবই নোৱাৰে। ব
তাৰ বিপৰীতে মানুহে এবাদতৰ প্ৰয়োজন আৰু উপকাৰীতা এতিয়াও আছে বুলিহে ভাবে

## ২। এবাদত কেনেকৈ কৰিব লাগে ?

ইঞ্জিল শ্বৰীফৰ এজন লেখক হজৰত লূকে আমাক কয় ঈছা ৰূহুল্লাই অকলশ
মোনাজাত কৰিছিল আৰু "যেতিয়া তেওঁ মোনাজাত শেষ কৰিছিল তেতিয়া তেওঁৰে এজ
মুৰিদে তেওঁক অনুৰোধ কৰিছিল, 'খোদাবন্দ, আমাকো মোনাজাত কৰিবলৈ শিকাওক
মুৰিদসকলে বোধহয় বুজি পাইছিল যে আচৰিত জীৱন কটোৱা তেওঁলোকৰ গৰাকী আ
এবাদতৰ মাজত এটা সম্বন্ধ আছে। সেয়ে তেওঁলোকে তেওঁৰ ওচৰলৈ আহি মোনাজা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰা শিকাবলৈ খাটনি ধৰিছিল। প্ৰভুৰ ওচৰত শিকাতকৈ ভাল আৰু নো কি হব পাৰে! ঈছা মছীহ এজনা অভিজ্ঞ আৰু সফল শিক্ষক আছিল। সেইজনেই সফল শিক্ষক যিজনে নিজৰ অভিজ্ঞতাৰ পৰা তালিম দিব পাৰে। লক্ষ্যত উপনীত হবলৈ কি কৰিব লাগিব সেইবোৰ বুজাই দিছিল। অভিজ্ঞতাৰে পৰিপূৰ্ণ এনে পদ্ধতিৰে তেওঁ এবাদতৰ এক জীৱনময় দিশ তেওঁলাকক দিছিল যিবোৰ সৰু সৰু আৰু সহজ বাক্যৰে খোদা-পাকৰ দৰগাহত সুন্দৰকৈ আৰজ কৰিব পাৰি।

সৰল শব্দ কিন্তু গভীৰ অৰ্থৰে ৰচিত এই মোনাজাতক "ছালাতুল ৰব্বানা" বা "প্ৰভুৰ প্ৰাৰ্থনা" নামেৰে জনা যায় আৰু যিজন প্ৰভুৱে শিকাইছিল তেওঁৰ উদ্দেশ্যই সেয়া নিবেদিত। ইয়াক এইদৰে পঢ়িব পাৰি ঃ

ক) **পাতনি ঃ "আবানাল্লাযী ফিছ্ -ছামা ওৱাৎ" ঃ ইয়াৰ অৰ্থ ঃ "আছমানত থকা হে আমাৰ আব্বা"ঃ-** এই সম্বোধনৰ দ্বাৰাই ছাইয়ীদিনা ঈছা ৰূহল্লাই আল্লাহ পাকৰ সৈতে আমাৰ আচৰিত সম্বন্ধ স্থাপন কৰিব খোজা স্থিতিলৈ আমাক লৈ গৈছে। খোদাৰ সন্তান হবলৈ গুণাহৰ গজবৰ পৰা মুক্ত হৈ ঈছা কালেমাতুল্লাহে নাজাত দিয়াৰ গোপন ৰহস্যৰ বৰ্ণনা ইয়াত আছে। ইয়াত নতুনকৈ জন্মাৰো গোপন কথা সোমাই আছে যিটো নতুন জন্ম আৰু নতুন জীৱন ৰূহুল কুদ্দুছে আমাক দিয়ে। ঈমানৰ ৰহস্যৰ কথাও ইয়াত সোমাই আছে।

এই পাতনিৰ কালামৰ পৰাই আমি বুজিব পাৰো যে এবাদত হ'ল খোদা পাকৰ লগত এবাদতকাৰীৰ ব্যক্তিগত মহব্বতৰ এক সহভাগীতা। ইয়াৰ শক্তি আৰু বৃদ্ধিৰ ভিত্তি হ'ল পাক ৰূহৰ সহায়েৰে আল্লাহ পাকৰ ৰাব্বুল ঈলমৰ বিকাশৰ বিষয়ে জ্ঞান অৰ্জন কৰা। পাক ৰূহে যেতিয়ালৈকে আমাৰ হৃদয়ত সত্যৰে আৰু ৰূহানী ভাৱেৰে পৰিপূৰ্ণ কৰি নোতোলে, তেতিয়ালৈকে বহু সময় ধৰি আমি ইয়াক এইবুলি ধ্যান কৰি থাকিব লাগে ঃ "আবানাল্লাযী ফিছ্-ছামাওৱাৎ - আছমানত থকা হে আমাৰ আব্বা!" যেতিয়া আমি "পৰ্দাৰ ভিতৰৰ" পৰা বাতেনী শক্তিৰ পাক ঠাইত এইদৰে আল্লাহ - পাকৰ সৈতে কথা পাতো, তেতিয়াই আমাৰ এই এবাদতে অফুৰন্তভাৱে আশীৰ্বাদ কঢ়িয়াই আনে।

**খ) আল্লাহ-পাকৰ উদ্দেশ্যে তিনিটা মোনাজাত ঃ**

"তোমাৰ নাম পাক বুলি মান্য হওক।" "তোমাৰ ছাহেনছাহী আহক।" "তোমাৰ মকছদ পূৰ্ণ হওক।" প্ৰথম কালামৰ লক্ষ্য হৈছে মানুহে যেন তেওঁৰ ৰূহত, চিন্তা-ভাবনাত আৰু কথাত আল্লাহ-পাকৰ ইজ্জত কৰে। দ্বিতীয় মোনাজাতটি প্ৰথমটোৰ স্বাভাৱিক পৰিণামৰ ফল। যেতিয়া অন্তৰেৰে, বাক্যৰে আৰু চিন্তাৰে আল্লাহৰ নামৰ সন্মান কৰা হয়, তেতিয়া তেওঁৰ কুদৰত চাৰিওফালে বিয়পি পৰে। তৃতীয় মোনাজাতটিৰ অৰ্থ হ'ল খোদাৰ ওপৰত মানুহৰ তাওৱাক্কুল প্ৰতিষ্ঠা কৰা। বেহেস্ততহে আল্লাহ-পাকৰ ইচ্ছা অভিপ্ৰায় প্ৰতিষ্ঠিত। মছীহে আমাক এবাদতৰ চেতনাত আৰু পৰিপূৰ্ণ বশ্যতাৰে মোনাজাত আদায় কৰিবলৈ এই কাৰণে তালিম দিছে যে তেওঁৰ অভিপ্ৰায় বেহেস্তত যিদৰে প্ৰতিষ্ঠিত হৈছে, সেইদৰে পৃথিৱীতো যেন হয়। খোদাৰ অভিপ্ৰায়েই হ'ল বেহেস্তৰ গৌৰৱ আৰু সেই অভিপ্ৰায় কাৰ্যকৰী কৰাতেই



- দুয়োটাৰ কিবা পাৰ্থক্য থকা নুবুজায়। হজৰত *ঈছা-আল-মছীহ* যিহেতু আল্লাহৰ ৰূহ
সেয়ে তেওঁৰ মাজত আৰু আল্লাহৰ মনৰ মাজত একো পাৰ্থক্য নাই। সেইদৰে যেতিয়া আ
কওঁ আল্লাহ (পিতা), তেওঁৰ পুত্ৰ আৰু তেওঁৰ কালাম, তেতিয়া আমি তেওঁলোকক পৃথ
কৰা নুবুজাওঁ, কিন্তু প্ৰথমটোৰ সম্বন্ধটো স্পষ্ট কৰি দিওঁ। যদি আল্লাহ মনবিহীন হয় তে
তেওঁ আল্লাহ হৈ থাকিব নোৱাৰে; বা যদি আত্মাবিহীন হয় তেন্তে আল্লাহ হৈ থাকিব নোৱাৰে
আল্লাহ হৈ থাকিব লাগিলে তেওঁৰ মন তেওঁৰ আত্মা আৰু তেওঁৰ জ্ঞান একত্ৰ হৈ থাকি
লাগিব। এই আটাই কেইটা বিষয় ত্ৰিত্ববাদত একীভূত হৈ আছে। আন কথাত কৰ গ
আল্লাহৰ ত্ৰিত্ববাদ এটা মৌলিক পদাৰ্থৰ দৰেই। মৌলিক পদাৰ্থৰ প্ৰতিটোৰ কাম বেলে
বেলেগ, আনহাতে একত্ৰ হৈয়ো থাকে।

## পিতৃ আৰু পুত্ৰ

আমি এজনা আল্লাহক বিশ্বাস কৰো, তেওঁৱেই পিতৃ আল্লাহ। পিতৃ থাকিলে পুত্ৰ
কথাটো নিশ্চয় আহিব। কিতাবুল মোকাদ্দাছত পুত্ৰৰ কেতিয়াওঁ শাৰীৰিক সম্বন্ধীয় প্ৰজন
সম্বন্ধীয় বা পতি-পত্নীৰ সম্পৰ্কৰ পৰা জন্ম পোৱা নুবুজায়। উদাহৰণ স্বৰূপে যেতিয়া আ
কওঁ মনৰ পৰা ধাৰণাৰ জন্ম হয় বা ওপজে। মনৰ পৰা ভাৱধাৰা বা চিন্তা ওপজে কিন্তু এ
ওপজাটো প্ৰজনন সম্বন্ধীয়নে? অৱশ্যেই নহয়। যেনেকৈ মনৰ পৰা ধাৰণা ওপজে তেনেদৰে
পিতৃৰ পৰা পুত্ৰৰ জন্ম। শাৰীৰিক জন্মত পৃথকীকৰণ হয়, কিন্তু পৱিত্ৰ ত্ৰিত্ব আল্লাহৰ প
জন্মাজন পৃথক অৰ্থত নহয়। ইউহোন্নাৰ ইঞ্জিল ত হজৰত ঈছা-আল-মছীহে কৈছিল "......ম
আৰু সেই পিতৃ এক" (ইউহোন্না ১০ : ৩০ আয়াত)। পুত্ৰ পিতৃৰ পৰা তেওঁক ত্যাগ নকৰাকৈ
আহিল। তেওঁ (পুত্ৰ) তেওঁৰ (পিতৃৰ) পৰা আহিছে আৰু তেওঁতেই (পিতৃতেই) আ
যিটোৱে প্ৰশ্ন তোলে কেনেকৈ? মই এটা উদাহৰণৰ দ্বাৰা আপোনাক বুজাব খুজিছো- যেতি
আপুনি ভাবে যে আপোনাৰ চিন্তাবোৰ শব্দৰ মাধ্যমত বিলীন হৈ মানুহৰ কাণত প
তথাপিও এই চিন্তাবোৰ আপোনাৰ মনতেই আছে। এই চিন্তাবোৰ মনৰ পৰা আতঁৰি যো
সম্ভৱ আৰু এখন কিতাপত লিপিবদ্ধ কৰি আমেৰিকাত বিতৰণ কৰিব পাৰি যত বহু
পঢ়িব পাৰিব। সেই অৰ্থত চিন্তাধাৰা আপোনাৰ পৰা জন্ম হয় তথাপি আপোনাতেই থাকে

আমি "পুত্ৰ" শব্দটো অন্য ধৰণেও বুজিব পাৰো। এটা শব্দই স্থান আৰু কালৰ সম্ভ
দেখুৱাই উদাহৰণ লব পাৰো। এজন কুৰি বছৰীয়া পুত্ৰই সেনা বাহিনীত ভৰ্ত্তি হৈছিল
"বিশ বছৰীয়া" শব্দটোক আৰবীত কয় ইৱনে ইশ্ৰীন। ইংৰাজীত 'A son of twent
years'। আমি "নীল নদীৰ পুত্ৰ বুলিও কওঁ" অৰ্থাত নীল নদীৰ তীৰত বসবাস ক
লোক। আমাৰ দেশৰ কিছুমান নাগৰিকক বুদ্ধিমত্তাৰ (intellect) সন্তান। যেনেকৈ মহা
গান্ধী ভাৰতৰ পিতৃ (জাতীৰ পিতা মহাত্মা গান্ধী)। শিক্ষক আৰু ছাত্ৰৰ মাজতো আধ্যাত্মি
পুত্ৰত্ব সম্বন্ধ থাকে যেতিয়া তেওঁ সিহঁতক মাতে "মোৰ লৰাহঁত" বা মোৰ ছাত্ৰ-ছাত্ৰী সকল
বিজ্ঞানৰ ভাষাত - ঘৰ্ষণে তাপৰ জন্ম দিয়াৰ কথা পাওঁ। ইঞ্জিল ত সাধু ইউহোন্নাই কৈ
"হে মোৰ সন্তান সকল বা পুত্ৰ সকল, মই এইবিলাক তোমালোকলৈ লিখেছো যা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

এই সকলো উদ্ধৃতিৰ পৰা স্পষ্টহৈ পৰে যে মছীহি  সকল আৰু দেৱ পুজক সকলৰ মাজত বিশেষ পাৰ্থক্য বিৰাজমান। সেইদৰে ইছলামে নিজেই এই দুটা দলৰ মাজত বিশেষ দূৰত্ব বজাই ৰাখে যে মুছলমানে দেৱ পুজকক বিবাহ কৰিব নোৱাৰিব কিন্তু এগৰাকী মছীহি বিশ্বাসীৰ লগত বৈবাহিক সম্পৰ্ক কৰাত বাধা নাই। ইছলামে দেব পুজকক বধ কৰিবলৈ অনুমতি দিছে; কিন্তু মছীহি সকল, যিসকলে আল্লাহক জানে আৰু অন্য দেৱতাক তেওঁৰ সমকক্ষ হ্বলৈ নিদিয়ে, তেওঁলোকৰ লগত ভাল সম্পৰ্ক ৰাখিবলৈ পৰামৰ্শ দিছে। সৰ্বশক্তিমান আল্লৰহ সকলোৰে। একমাত্ৰ তেওঁকেই আমি আৰাধনা কৰা উচিৎ। বাস্তৱিকতে আমি তাকেই কৰোঁ। কাৰণ তেওঁ আমাৰ সকলোৰে সৃষ্টিকৰ্ত্তা,  যিজন সৰ্বশক্তিমান (সৰ্বময় আৰু সৰ্বশক্তিসম্পন্ন), আমি সকলোবিলাক তেওঁৰ ক্ষমতাৰ অধীন। আল্লাহৰ অধীন নোহোৱা কোনো বস্তুৰেই অস্তিত্ব নাই।

কাইৰো চহৰৰ "মাৰ্ক কেথেড্ৰেলত" "পোপ শেনুধা (৩য়) ই দিয়া ভাষণঃ

একেদৰেই আমি কওঁ জুইৰ পৰা তাপ আৰু পোহৰ উৎপন্ন হয়। সেইদৰে জুই , ইয়াৰ তাপ আৰু পোহৰে সৈতে এটাই (অস্তিত্ব) বস্তু,  যিটোক জুই বুলিও কব পাৰি বা বেলি বুলিও কব পাৰি। আল্লাহ জীৱিত ও বেহেস্তী ব্যক্তি, (ভাবিব পৰা)  মন আৰু জীৱনেৰে সৈতে সম্পূৰ্ণ একক। কোৰাণ শৰাফত আল্লাই সদায় নিজকে বুজাবলৈ 'আমি' সৰ্বনাম ব্যৱহাৰ কৰিছে। কোৰাণৰ ছুৰা সমূহৰ আগত 'আলিফ'  'লাম' 'মিম' ব্যৱহাৰৰ পৰাও তেওঁৰ ত্ৰিত্বৰ ধাৰণা ব্যক্ত কৰিব পাৰি। মছীহি  ঈমানত থকা  পিতৃ, পুত্ৰ আৰু পাক ৰূহুক পৃথক কৰিব নোৱাৰে। পৱিত্ৰ ত্ৰিত্ব আল্লাহ হ'ল  স্বৰ্গীয়, জীৱিত আৰু বুদ্ধিমান (inteligent being)। আমাৰ লক্ষ্য  সেই এক আল্লহক পৃথক কৰা নহয় 'একক' সম্পন্ন কৰা।

## ঈশ্বৰ মন "Logos" শব্দটো

পাক ৰূহ বুলিলে আল্লাহৰ আত্মাক বুজো তাত সন্দেহ নাই, কিন্তু গ্ৰীক ভাষাৰ Logos শব্দটো কি অৰ্থত আল্লাহৰ আত্মাক বুজায় তাক চাওঁহক?

'আত্মা' আৰু 'মন' এই দুয়োটা শব্দই গ্ৰীক ভাষাৰ Logos ৰ পৰা আহিছে। ইউহোন্না লিখিত ইঞ্জিলত এইদৰে পাওঁ "*আদিতে কালাম  (Logos) আছিল, কালাম খোদাৰ (Logos) লগত আছিল আৰু এই কালামেই (Logos) স্বয়ং আল্লাহ আছিল*। (ইউহোন্না ১ঃ১) *"Logos"* শব্দটোৰ আভিধানিক অৰ্থ বহুত আছে; ইয়াৰ এটা *Logos* ৰ ৰূপ ইংৰাজীত "যুক্তিতত্ব" যিটোৰ অৰ্থ সাধাৰণ কথোপকথন নহয়; কিন্তু মনৰ ইচ্ছা বা বুদ্ধিমতাৰ প্ৰকাশ। আল্লাহই পৃথিৱীখন তেওঁৰ বুদ্ধিমত্তাৰে বা তেওঁৰ কালামেৰে বা তেওঁৰ ঈচ্ছাৰে বা জ্ঞানেৰে সৃষ্টি কৰিছিল। সেই সকলোবোৰ একেই কথা। আল্লাহৰ বাবে তেওঁৰ মন, কালাম আৰু জ্ঞান একেই কথা। উদাহৰণ স্বৰূপে যেতিয়া আমি কওঁ, "মই মোৰ ইচ্ছাৰে এই সমস্যাটো সমাধান কৰিলো"। এইটো মোৰ মন বা জ্ঞান মই  যাৰ যোগেদি এইটো কৰিলো দুয়োটা একেই কথা। এই স্পষ্টীকৰণ টোত মোৰ মন আৰু মোৰ মাজৰ জ্ঞান বা বুদ্ধিমত্তাহে



বেহেস্তৰ আনন্দ। যেতিয়া সেই ইচ্ছা আমাত কাৰ্যকৰী হয় তেতিয়া আল্লাহ-পাকৰ ছাহেনছা
আমাৰ ৰূহত প্ৰতিষ্ঠা হয়।

### গ) মানুহক লৈ তিনিটা মোনাজাত ঃ

প্ৰথমটো শৰীৰৰ প্ৰয়োজনক আৰজ কৰা হৈছে ঃ "**আমাৰ প্ৰয়োজনীয় আহাৰ আ**
**আমাক দিয়া**"। ইয়াৰ উদ্দেশ্যটো হ'ল জীৱন-ধাৰণৰ কাৰণে প্ৰয়োজনীয়খিনি শৰীৰটো
যোগোৱা যাতে মানুহৰ ৰূহানী কাৰ্যবোৰ চলাই নিবলৈ ই সম্ভৱ কৰিব পাৰে।

দ্বিতীয় আৰজটো ক্ষমাক লৈ কোৱা হৈছে ঃ "**তেনেকৈ আমাৰো ধাৰ ক্ষমা কৰা**"
জীৱনৰ কাৰণে প্ৰথম প্ৰয়োজনীয়টো যি দৰে আহাৰ হয়, সেইদৰে ৰূহৰ নিমিত্তে প্ৰথ
প্ৰয়োজনটো হয় ক্ষমা। বাস্তৱিকতে আমি সন্তান হলেও আমি একো একোজন গুণাহগাৰ
হওঁ, আৰু মছীহৰ তেজত ভিত্তি কৰিহে যিজনে আমাৰ বাবে ক্ষমাটো আৰ্জি লৈছিল আ
আমি বেহেস্তত থকা আব্বাৰ ওচৰলৈ অহাৰ অধিকাৰ পাইছো।

তৃতীয় আৰজটো হ'ল ঃ "**আমাক পৰীক্ষালৈ নিনিবা, কিন্তু গুণাহৰ ৰূহৰ পৰা আমা**
**ধৰি ৰাখা**", ই আমাক গুনাহ আৰু প্ৰলোভনৰ কাষলৈ লৈ যোৱা গুণাহ আৰু ইয়াৰ প্ৰবঞ্চন
কথা কৈছে। এই আৰজটোৱে নিজেই এক বিশেষ চৰ্ত্ত আৰোপ কৰিছে, কাৰণ যিজনে এ
কালামটো উচ্ছাৰণ কৰিব তেওঁ নিজেও ফান্দ আৰু প্ৰলোভনৰ পৰা নিজকে দূৰৈত আঁতৰ
ৰাখিব লাগিব। সৰ্বোপৰি পাক ৰূহে ইয়াত সহায় কৰিব।

### ঘ) সামৰণি ঃ

ইয়াত সমগ্ৰ মোনাজাতটোৰ যুক্তি আৰু কাৰণবোৰ উল্লেখ কৰা হৈছে। আমি খোদা
এইবোৰ আৰজ কৰো কাৰণ তেৱেঁই হ'ল বাদ্ছাহ, যিজনাৰ হাততে আছে সমগ্ৰ দুনিয়াৰ প
অধিকাৰ, ক্ষমতা আৰু এই সকলো মোনাজাতৰ উত্তৰ দিয়াৰ সক্ষমতা। জালাল একমা
তেওঁৰেই আৰু তেওঁৰ জালালৰ কাৰণেই আমি এইবোৰ আৰজ কৰো।

এবাদতৰ নমুনাৰ ছওৱালবোৰৰ ব্যাখ্যা কৰাৰ পাছত ঈছা-ৰূহুল্লাহে মানুহবোৰক সকলে
এবাদত আল্লাহৰ দৰবাৰত আৰজ কৰিবলৈ কয়। তেওঁ কৈছে, "*খোজা, তেহে তোমালোক*
*দিয়া হব; বিচৰা, তেহে পাবা; টুকুৰিওৱা, তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হব*" (ম
৭:৭)। এই কথা জোৰ দি কোৱাৰ পাছত তেওঁ নিশ্চিতভাৱে আশ্বাস দিয়ে যে, যি কোনো
বিচাৰে তেওঁক দিয়া হব; আৰু যিকোনোৱে সন্ধান কৰিব তেওঁ পাব, খোদাবন্দে আমাৰ মন
এনে এক ধাৰণা বিশেষভাৱে আনি দিবলৈ বিচাৰে যে মোনাজাতৰ এক অপৰিবৰ্ত্তনীয় শ্বৰীয়
আছে, আৰু সেয়ে হ'ল যিকোনোৱে বিচাৰে তেওঁ অৱশ্যেই পায়।

মোনাজাত কৰি যদি কোনোৱে কিবা নাপায়, তেন্তে বুজিব লাগিব যে তেওঁৰ মোনাজাত
সন্মুখত ক'ৰবাত কিবা কেনা আছে। তেওঁক বিচৰাসকলৰ নিমিত্তে খোদা যে অতি ওচ
এবাদতকাৰীৰ মনত হয়তো সেই আশ্বাসৰ অভাৱ হৈছে। বাধা হয়তো এনেও হব পাৰে 
এটা পৰ্যায়ত মনৰ মাজত সন্দেহৰ ভাৱ জাগি উঠিছে, আৰু সন্দেহযুক্ত মোনাজাতেৰে খোদ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

পৰা কেতিয়াও একো পোৱা সম্ভৱ নহয়। নাইবা এনে কোনো গুণাহৰ বাধাও থাকিব পাৰে, যিবোৰ গুণাহ মোনাজাতকাৰীয়ে খোদাৰ ওচৰত তৌবা নকৰাকৈ আছে; কিয়নো গুণাহে মানুহৰ পৰা খোদাৰ মুখ ঢাকি ৰাখে।

মোনাজাত বিফল হোৱাৰ কাৰণ এনেও হব পাৰে যে মোনাজাতকাৰীয়ে অনুচিত বস্তু আকাংক্ষা পুহি ৰাখিছে। হজৰত ইয়াকুবে সেয়ে কৈছিল, "*তোমালোকে আৰজ কৰা, কিন্তু নোপোৱা কাৰণ তোমালোকে কুভাৱেৰে আৰজ কৰা*" (ইয়াকুব ৪:৩)। অৱশ্যে বিফল হোৱাৰ কাৰণ এইয়াও হব পাৰে যে মোনাজতকাৰীয়ে কেৱল ধৰ্মীয় কৰ্ত্তব্য পালন কৰিবৰ কাৰণেহে তেওঁৰ সমস্ত এবাদত পৰিচালনা কৰিছে আৰু সেয়া আল্লাহৰ প্ৰতি অসীম মহব্বত আৰু গভীৰ ভক্তিভাবত নহয়।

## ৩। মোনাজাত কিদৰে সমাধা হয়?

চমৰীয়া তিৰোতা গৰাকীৰ সৈতে কথা-বতৰা পাতি থাকোতে ঈছা মছীহে এবাৰ কৈছিল যে বেহেস্তত থকা আব্বাই এবাদতকাৰীসকলক বিচাৰি থাকে আৰু আমাৰ এবাদত-বন্দেগীবোৰ ৰূহানী একীন লৈ সত্যেৰে কৰা হ'লে তেওঁ সন্তুষ্ট হয়। তেওঁ কৈছিল, "*কিন্তু যি কালত স্বৰূপ বান্দাসকলে ৰূহানী একীনেৰে আৰু সত্যেৰে আব্বাৰ বন্দেগী কৰিব, এনে কাল আহিছে, এতিয়াও হৈছে, কিয়নো আব্বাই এনেকুৱা বান্দাসকলক বিচাৰে। খোদায়েই ৰূহ আৰু তেওঁৰ বন্দেগী কৰাবিলাকে ৰূহানী একীনেৰে তেওঁৰ এবাদত কৰিব লাগে*"(ইউহোন্না ৪:২৩,২৪)। মছীহে ইয়াত ইয়াকেই বুজাইছিল যে খোদা আৰু তেওঁৰ এবাদতকাৰীসকলৰ মাজত মিলনৰ এটা ঐক্যসুৰ থাকিব লাগিব। পোহৰ দেখিবৰ কাৰণে চকু যিদৰে উপযুক্ত আৰু শব্দ শুনিবলৈ কানক নিৰ্মাণ কৰা হৈছে, সেইদৰে এবাদতকাৰীসকলে হৃদয়ত পাক্-ৰূহ গ্ৰহণ কৰি ৰূহানী বন্দেগীত আনন্দ পাবলৈ যুগুত থাকিব লাগে। তেতিয়া তেওঁতে থাকি পাক্-ৰূহে আৰজ কৰে আৰু তেওঁৰ এবাদত সত্যেৰে আৰু ৰূহেৰে কৰা হয়।

মছীহে আমাক শিকাবলৈ বিচাৰিছিল যে ইঞ্জিলৰ দিনৰ এবাদতকাৰীসকলৰ এবাদতৰ নিয়মটো তৌৰাত শ্বৰীফত উল্লেখ কৰা ইহুদী নাইবা চমৰীয়া সকলতকৈ সম্পূৰ্ণ বেলেগ। শ্বৰীয়তৰ কিছুমান নিয়মৰ ওপৰত ইহুদীসকলৰ এবাদতবোৰ প্ৰতিষ্ঠিত আছিল। চমৰীয়াসকলৰ এবাদতবোৰ অনেক ধৰণৰ সংস্কাৰৰ ওপৰত ভিত্তি কৰা আছিল। মছীহীসকলৰ এবাদতৰ নিয়মবোৰ হ'লে ৰূহৰ ওপৰত নিৰ্ভৰশীল আছিল, যিটো ইহুদীৰ এবাদত আৰু চমৰীয়াসকলৰ চিন্তাতকৈ সম্পূৰ্ণ বিপৰীত।

দৰাচলতে মছীহই দেখুৱাই যোৱা এবাদতৰ ধৰণবোৰ যুক্তিপূৰ্ণ আৰু পৰম্পৰা মিহলি থকা তৌৰাতৰ দিনৰ এবাদততকৈ মুক্ত ধৰণৰ। আন কথাত ক'বলৈ গ'লে প্ৰকৃত মছীহীসকলে মুছাৰ শ্বৰীয়ত অনুসাৰে খোদাৰ বন্দেগী নকৰি ৰূহানী দৃষ্টিভংগীৰে কৰে য'ত শাৰীৰিক অনুশীলনৰ গুৰুত্ব কম। ই বেহেস্থী শক্তি আৰু ক্ৰিয়াশীলতাৰে সম্পূৰ্ণ। এবাদতকাৰীৰ অনুপ্ৰেৰণাৰ কাৰণে নিশ্চয়ে এই আয়াততকৈ আন গুৰুত্বপূৰ্ণ আয়াত আৰু নাই ঃ "আল্লাহে বিচৰা আদৰ্শ এবাদতকাৰী তেওঁলোকেই।" কিয়নো যি আল্লাহৰ পৰা ৰূহৰ আগমন হয়,



যোহনৰ তৃতীয় পত্ৰত আঙুলিয়াই দেখুওৱা হৈছে য'ত তেওঁ কৈছে ,"*আৰু আত্মা সা*
*দিওঁতা; কাৰণ আত্মাই সেই সত্য, কিয়নো আত্মা, জল আৰু তেজ, এই তিনিয়ে সাক্ষ্য দি*
*আৰু এই তিনিওৱো সাক্ষ্য এক*" (১ম যোজন ৫ : ৭-৮)। সেয়ে সাৰ্বজনীন মছীহি ঈম
তৌহিদবাদৰ ওপৰত প্ৰতিষ্ঠিত বুলি কব পাৰো।

সেই কাৰণেই মছীহি ঈমানত এজনা আল্লাহৰ বাহিৰে তিনি আল্লাহক বিশ্বাস ক
নহয়। বহুত্ব বাদীসকলক নাস্তিক বুলি ভবা হয় আৰু যিসকলে একাধিক বা তিনিজন আল্লাহ
বিশ্বাস কৰে সেই সকলো নাস্তিক। আমাৰ মুছলমান সমাজৰ সমস্যাটো এইখিনিতে
মছীহি সকলে কি অৰ্থ বা ধাৰণাত তিনিজনাক এজনা বোলে তাক উপলব্দি কৰিব নোৱাৰাটো
পুত্ৰ বোলোতে কি অৰ্থত বা পাক ৰূহু বোলোতে কি অৰ্থত কোৱা হয় তাক বুজি
নোৱাৰাটোৱেই ঘাই সমস্যা। ত্ৰিত্ববাদ আৰু তৌহিদবাদ বিষয়টোৰ ওপৰত নিৰূপেক্ষভা
আলোচনা কৰা হওঁক যিটোত প্ৰণালীবদ্ধ ভূল ধাৰণা নিহিত হৈ আছে। আমাৰ মুছলম
ভাইসকলৰ বাবে কোৰাণ শৰীফে প্ৰেৰণা যোগায় যে কিতাবী লোকসকলৰ লগত হা
কাজিয়া নকৰি মিলেৰে থকা তথা ভাল ব্যৱহাৰ কৰিবলৈ। " ঐশীপুথি প্ৰাপ্ত মানুহবিলাক
লগত যুক্তি কৰিলে অতি উত্তমবাৰে কৰিবা, অৱশ্যে সিহঁতৰ অন্যায়কাৰীবিলাকৰ লগত এ
নীতি প্ৰযোজ্য নহয় আৰু সিহতক কোৱা-'আমাৰ প্ৰতি যি অৱতীৰ্ণ কৰা হৈছে আ
তোমালোকৰ প্ৰতিও যি অৱতীৰ্ণ কৰা হৈছিল সেইবোৰৰ প্ৰতি আমি বিশ্বাস স্থাপন কৰিছে
আমাৰ উপাস্য আৰু তোমালোকৰ উপাস্য একেজনেই আৰু আমি তেওঁৰ ওচৰত আত্মসমৰ্প
কৰিছো। (ছুৰা আন-কাবূত ৪৬ আয়াত)। আন এঠাইত পাওঁ, 'কিন্তু সকলো ঐশীপুথি প্ৰা
মানুহ একে নহয়। সিহঁতৰ কিছুমান সত্য সঠিক পথত অধিষ্ঠিত হৈ আছে, তেওঁলো
আল্লাহৰ আয়াত পাঠ কৰি, তেওঁৰ সমুখত ছিজদাৱ কৰি ৰাতি কটায়। আল্লাহ আৰু পৰকাল
বিশ্বাস কৰে, সৎ কামৰ আদেশ দিয়ে, অসৎ কাম নিষেধ কৰে আৰু কল্যাণকৰ কৰম
তৎপৰ হৈ থাকে। এওঁলোকেই ন্যায়পৰায়ণ লোক। (ছুৰা আল ইমৰাণ ১১৩-১১৪ আয়াত
একেদৰে-" ঈমানগাৰসকলৰ প্ৰতি শত্ৰুতাচৰণ কৰাত তোমালোকে ইহুদী আ
অঙ্শীবাদীবিলাকক সকলোতকৈ বেছি কঠোৰ পাবা আৰু যিবিলাকে কয়- 'আমি খৃষ্ট
(মছীহি)' সিহতঁক মুছলমানসকলৰ লগত ঘনিষ্টতম মিত্ৰতাস্থাপনকাৰী হিচাবে পাবা কিয়
সিহতৰ মাজত অনেক শাস্ত্ৰজ্ঞ উপাসনাকাৰী আৰু বৈৰাগী সাধু-সন্ত আছে আৰু তেওঁলোক
অহঙ্কাৰ অহমিকাবোধ নাই। (ছুৰা আল মায়িদা ৮২ আয়াত) ।

ছুৰা আল বাকাৰা ৬২ নং আয়াতত্ৰ পাওঁ, " *নিশ্চিতভাৱে জানি লোৱা যে (আৰ*
*নবীৰ প্ৰতি) যিসকলে বিশ্বাসীস্থাপন কৰিছে আৰু যিসকল ইহুদী, মছীহি আৰু চাবেইনসক*
*আল্লাহ আৰু পৰকালত বিশ্বাস ৰাখে আৰু সৎকাম কৰে তেওঁলোকৰ বাবে আল্লাহৰ ওচ*
*পুৰস্কাৰ আছে। তেওঁলোকৰ ভয় আৰু চিন্তাৰ কোনো কাৰণ নাই*"। ঠিক সেইদৰে ছুৰা আ
হাজ্জ ১৭ নং আয়াততো পাওঁ, " *যিসকলে ঈমান আনিছে আৰু যিবিলাক ইহুদী হৈছে আ*
*চাবেইন, মছীহি আৰু অগ্নিপূজক আৰু যিবিলাকে আল্লাহৰ লগত আনক অঙ্শী কৰিছে*
*এই সকলৰ প্ৰতি কিয়ামতৰ দিনা আল্লাহে চূড়ান্ত মীমাংসা কৰি দিব। নিশ্চয় আল্লাহে সকল*
*কথা প্ৰতক্ষ্য কৰে*"।



PDFCreated with deskPDF PDF Writer - Trial :: http://www.docudesk.com

(৯) মছীহৰ নামত মোনাজাত কৰা বুলিলে কি বুজায়?

(১০) বেহেস্তত থাকি মছীহই কি কি সেৰা আগবঢ়াই আছে?

(১১) এবাদতকাৰীয়ে মোনাজাত কৰি থাকোঁতে কি বিশ্বাস কৰিব লাগে?

(১২) আমাৰ মোনাজাতত অহা জঠৰতা বা এলাহক কেনেকৈ জয় কৰিব লাগে?

প্ৰশ্নসমূহৰ উত্তৰ পঠাওঁতে আপোনাৰ সম্পূৰ্ণ নাম আৰু ঠিকনা লিখিবলৈ নাপাহৰিব। আন কিবা লিখিবলগীয়া থাকিলে বেলেগ কাগজত লিখিব। আমি আপোনাৰ উত্তৰলৈ বাট চাই ৰলোঁ। (***দ্বাৰ-উল-মছীহ,*** ডাক বাকচ নং ঃ ২৩৪, গুৱাহাটী-৭৮১০০১)

## (দ্বিতীয় খণ্ড)

## তৌহিদবাদ আৰু ত্ৰিত্ববাদ

মছীহি বিশ্বাসী সকলৰ ত্ৰিত্ববাদৰ ধাৰণাটোৱে মুছলমান ভাই সকলৰ বাবে এজন সত্য আল্লাহৰ ধাৰণাৰ প্ৰধান অন্তৰায় স্বৰূপ। পিতৃ আল্লাহ, মাতৃ মৰিয়ম আৰু পুত্ৰ হজৰত *ঈছা-আল-মছীহ* এই তিনিজনক এবাদত কৰে বুলি মুছলমান সকলে মছীহি বিশ্বাসী সকলক দোষাৰূপ কৰে। বিষয়টোত আৰম্ভণিৰ পৰাই ভুল বুজাবুজি থাকি যোৱাত দুয়োটা সম্প্ৰদায়ৰ মাজত তিক্ততা বিৰাজমান। সেয়ে এই প্ৰবন্ধটিয়ে ত্ৰিত্ববাদ আৰু তৌহিদবাদ বিষয়ত এনে ভুল ধাৰণাবোৰ দুৰ কৰাত সহায়ক হব। যি সকলে এই প্ৰবন্ধটি পাঠ কৰে তেওঁলোকে এক আল্লাহৰ ত্ৰিত্বৰ সত্যতা যেন বুজি পায় তাৰ বাঞ্চা কৰো।

আল্লাহৰ ত্ৰিত্ব ধাৰণাৰ বিৰোধী সকলে এই তত্ত্বক বৰকৈ সমালোচনা কৰে। মছীহি ত্ৰিত্ববাদক তেওঁলোকে এক কল্পনা প্ৰসুত ধাৰণা বুলি বিশ্বাস কৰে। সি যি কি নহওঁক মছীহি সকলেও বিশ্বাস কৰে যে আল্লাহ সংগীহীন আৰু নিশ্চিত কৈ তেওঁ গৰাকী নহয়। সকলো সমালোচনাৰে মুল লক্ষ্য এই ত্ৰিত্ববাদ বিশ্বাসী মছীহি সকলক আক্ৰমণ কৰা। কিন্তু কিতাবুল মুকাদ্দাছত এক আল্লাহৰ ধাৰণা বিদ্যমান। "ময়েই তোমাৰ ঈশ্বৰ যিহোৱা, মোৰ আগত তোমাৰ আন কোনো দেৱতা নাথাকক " (যাত্ৰা পুস্তক ২০ঃ৩ পদ)। "আল্লাহ এগৰাকী আছে বুলি বিশ্বাস কৰিছা ভাল কৰিছা, আনকি ভূতবোৰেও তাকে বিশ্বাস কৰে আৰু ভয়ত চিঞঁৰে" (যাকোব ২ঃ১৯ পদ)। আভ্যন্তৰীনভাবে ভূতবোৰেও এজনা আল্লাহক বিশ্বাস কৰে। যদি সিহঁতে মানুহৰ মাজত আল্লাহৰ বহুত্ববাদ বিয়পায়ছে তেন্তে সিহঁতে মানুহৰ মনৰ ৰং হে চাইছে, কিন্তু তেওঁলোকে হলে মাত্ৰ এজনা আল্লাহৰ বাহিৰে কাকো বিশ্বাস বা ভয় নকৰে।

পৱিত্ৰ ইঞ্জিল শ্বৰীফত মছীহি ঈমানৰ তৌহিদবাদ বিষয়টো *ঈছা-আল-মছীহ*ৰ ঘোষণাত স্পষ্টকৈ প্ৰকাশ পাইছে। যেতিয়া তেওঁ তেওঁৰ চাহাবাসকলক তবলীগ কাৰ্য্যৰ বাবে পঠিয়াইছিল, তেওঁ এনে হুকুম দিছিল, "এই হেতুকে তোমালোক যোৱা আৰু সকলো জাতিকে শিষ্য কৰি, পিতৃ, পুত্ৰ আৰু পাক ৰূহৰ নামেৰে তেওঁলোকক মূৰীদান (Baptize) কৰা (মথি ২৮:১৯)। তেওঁ 'নামত' বুলিহে কৈছিল, 'নামবোৰত' বুলি কোৱা নাছিল। এই বিষটো



ৰূহে যদি সেই আল্লাহকে পাব বিচাৰে তেন্তে আল্লাহেও তেওঁক বিচাৰি থাকে; মানুহ
এবাদতৰ মাজেৰেই তেওঁ সেই ৰূহক পাব বিচাৰে।

## ৪। মোনাজাত কিদৰে উৎসৰ্গ হোৱা উচিত?

মুৰিদসকলক ঈছা-ৰূহুল্লাহে এবাদতৰ জীৱন্ত আৰ্হি দেখুৱাৰ পাছত তেওঁলোকক এ
সম্পৰ্কে আৰু এটি শিক্ষা দিয়ে যে নিজৰ ৰূহৰ মাজত প্ৰকৃত তৃষ্ণা আৰু আকাংক্ষাৰে খোদা
মোনাজাত আগবঢ়াব লাগে। তেওঁ "লাগি থকা বন্ধু" এজনৰ উদাহৰণেৰে এই কথাবে
বহলাই বুজাই দিছিল। তেওঁ কৈছিল, "*তেওঁ তেওঁলোকক আৰু ক'লে, তোমালোকৰ মাজ*
*যাৰ বন্ধু আছে, তেওঁ যদি মাজনিশা তেওঁৰ ওচৰলৈ গৈ কয়, হে বন্ধু মোক তিনিটা পি*
*ধাৰে দিয়া; কিয়নো মোৰ ঘৰলৈ এজন পথিক বন্ধু আহিল, তেওঁক সুধিবলৈ মোৰ একো না*
*তেনেহলে সেই বন্ধুৱেকে, মোক দিগ্ নিদিবা, এতিয়া দুৱাৰ বন্ধ, আৰু মোৰ সন্তানকেই*
*মোৰ লগত শুই আছে, তোমাক দিবলৈ উঠিব নোৱাৰোঁ, ভিতৰৰ পৰা এনে উত্তৰ দিব নে*
*মই তোমালোকক কওঁ, বন্ধু হোৱা হেতুকে উঠি নিদিলেও, ঘনে ঘনে খুজি থকাত, তেওঁ উ*
*তেওঁৰ যিমান প্ৰয়োজন, সিমান তেওঁক দিব*" (লূক ১১:৫-৮)।

আন এটা উপমা দি তেওঁ শিকাইছিল যে মানুহে সদায় এবাদত কৰি থকা উচিত আ
কেতিয়াও নিৰাশ হ'ব নালাগে। তেওঁ কৈছিল, "*পাছে তেওঁলোকে যে নিৰুৎসাহী নৈ*
*সদায় মোনাজাত কৰি থকা উচিত, তাৰ অৰ্থে তেওঁ তেওঁলোকক এটা দৃষ্টান্ত দি ক*
*কোনো এখন নগৰত আল্লাহলৈ ভয় নকৰা, মানুহকো নমনা এনে এজন বিচাৰক আছিল*
*সেই নগৰত এজনী বাঁৰীও আছিল; তেওঁ সেই বিচাৰকৰ ওচৰলৈ আহি আহি নিবেদন ক*
*যে, অন্যায়ৰ প্ৰতিকাৰ কৰি মোৰ বিপক্ষৰ পৰা মোক উদ্ধাৰ কৰক। তাতে তেওঁ কিছুম*
*দিনলৈ সন্মত নহ'ল; কিন্তু পাছত নিজৰ মনতে কলে, মই যদিও আল্লাহক ভয় নকৰোঁ, আ*
*মানুহকো নামানো, তাথাপি এই বাঁৰীয়ে মোক দিগ দিয়াৰ কাৰণে, অন্যায়ৰ প্ৰতিকাৰ ক*
*তেওঁক উদ্ধাৰ কৰিম; কিজানি তেওঁ আহি আহি শেষতে মোক ঘোচা মাৰে। পাছে প্ৰভু*
*কলে, সেই অধাৰ্মিক বিচাৰকে কি কয় শুনা। তেন্তে আল্লাহলৈ দিনে-ৰাতিয়ে কাকুতি ক*
*তেওঁৰ যি মনোনীত লোকৰ ভালৰ অৰ্থে তেওঁ শত্ৰুক শাস্তি দিবলৈ পলম কৰে, তে*
*অন্যায়ৰ প্ৰতিকাৰ কৰি, সেই লোকক উদ্ধাৰ নকৰিব নে? মই তোমালোকক কওঁ, বেগে*
*অন্যায়ৰ প্ৰতিকাৰ কৰি তেওঁলোকক উদ্ধাৰ কৰিব ........*" (লূক ১৮:১-৮)।

এই দুই উদাহৰণৰ পৰা আমি ইয়াকে শিকোঁ যে মোনাজাত কৰোঁতে কেৱল বাক
পুনৰাবৃত্তি কৰা আৰু দাবী, অনুৰোধসহ লাগি থকা মোনাজাতৰ মাজত ডাঙৰ ব্যৱধান আছে
সেয়ে ইশ্বায়াহ নবীয়ে কৈছিল, "হে আল্লাহক সোঁৱৰণ কৰাওঁতাবিলাক, তোমালোক ক্ষা
নহবা; আৰু তেওঁ যেতিয়ালৈকে যিৰূজালেমক স্থাপন নকৰে, আৰু পৃথিৱীৰ মাজত তা
প্ৰশংসাৰ পাত্ৰ নকৰে, তেতিয়ালৈকে তেওঁক জিৰণি নিদিবা" (ইশ্বায়াহ ৬২:৬,৭)। দৃষ্টা
দুটিৰ মাজেৰে ঈছা-ৰূহুল্লাহে একেৰাহে লাগি থকা ধৰণৰ কাকূতি-মিনতি আৰু উদ্দেশ্য
থকা দৃঢ় মনোভাৱৰ প্ৰশংসা কৰিছে, যেনেকৈ তেওঁ নিজৰ এই কালামেৰে আমাৰ মনত স



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বহুৱাৰ বিচাৰিছে ঃ “*খোজা, তেহে তোমালোকক দিয়া হ'ব; বিচাৰা তেহে পাবা; টুকুৰিওৱা, তেহে তোমালোককৈলে দুৱাৰ মুকলি কৰা হ'ব*” (মথি ৭:৭)।

“অধৈর্য বন্ধু”ৰ উদাহৰণে আমাক ঈমানৰ এটা প্ৰয়োজনীয় শিক্ষা দিয়ে যে ই মহব্বতৰ মাজেদিহে কাৰ্য সাধন কৰে। মানুহজনে মাজনিশা আন এজনৰ কাৰণেহে পিঠা বিচাৰি গৈছিল। আনৰ কাৰণে নিবেদন কৰাটো বৰ প্ৰশংসনীয় কাম, কিয়নো ই আমাৰ ঈমানৰ শক্তিক উত্তোলিত কৰে আৰু ফলপ্ৰসু এবাদতৰ পিনে আমাক আকৰ্ষণ কৰে। আনৰ কাৰণে মোনাজাত কৰাটো এবাদতৰ উত্তম ভাগ, কিয়নো তাৰ দ্বাৰাই আল্লাহৰ সিংহাসনত বহি জীৱন্ত ৰূহুল কুদ্দুছ ঈছা মছীহে কাম সমাধা কৰিবলৈ উৎসাহিত হয়।

অধৈৰ্য হৈ থকা বিধবাৰ এক উপমাৰে মছীহই আমাক শিকাইছিল যে আল্লাহে আমাক এবাদততে মছগুল হৈ থকাটোহে আশা কৰে, আৰু তেওঁৰ নামত যিমানবোৰ দোৱা কৰা হয়, সেইবোৰক তেওঁ অৱহেলা কৰিব নোৱাৰে। বিধবাগৰাকীৰ অবিৰাম কাকুতিয়ে যদিহে কঠোৰ বিচাৰকৰ অনীহাকো টলাব পাৰে, তেন্তে অপাৰ কৰুণাময় বেহেস্তী আব্বাৰ ওচৰত তেনেধৰণৰ আকুল মোনাজাত যে আৰু কিমান অধিক ফলপ্ৰসু হ'ব তাত সন্দেহ নাই। আমি ইয়াকো শিকিছোঁ যে আল্লাহ-পাক্‌ৰ উদ্দেশ্যবোৰ ধীৰভাৱে কিন্তু নিশ্চিতৰূপে কাৰ্যকৰী হয়। মোনাজাতৰ উত্তৰ পাবলৈ আল্লাহৰ জ্ঞান অনুসাৰে তেওঁৰ এক নিৰূপিত সময়লৈ বাট চাব লগা হয়। কেতিয়াবা কেতিয়াবা তেওঁ আমাৰ মোনাজাতৰ উত্তৰ দিবলৈ পলম কৰিব পাৰে, কিয়নো তেওঁ বিচাৰে যে আমাৰ মাজত আশাবোৰ অধিক শক্তিশালী হওঁক আৰু আকাংক্ষাৰ ঢৌ আৰু ওপৰলৈ উঠক।

## ৫। আমি ক'ত এবাদত কৰিব লাগিব?

ঈছা ৰূহুল্লাহৰ আৱিৰ্ভাৱৰ আগতে এবাদত বিষয়টো কিছুমান পৰম্পৰা মতে চলিছিল। ই নিৰ্দিষ্ট স্থান, কাল আৰু পাত্ৰৰ মাজতে সীমাবদ্ধ আছিল। ইঞ্জিল শ্বৰীফে আমাক শিক্ষা দিয়ে যে তেওঁৰ আৱিৰ্ভাৱৰ পাছতে সকলো ধৰণৰ গতানুগতিকতাৰ পৰা এবাদত বিষয়টোৱে বন্ধনমুক্ত হয়।

ঈছা ৰূহুল্লাহে চমৰীয়া তিৰোতা গৰাকীক কৈছিল, “*হে নাৰী, মোত বিশ্বাস কৰা, যি কালত তোমালোকে এই পৰ্বতত নাইবা যিৰূচালেম নগৰত আব্বাৰ (খোদা) বন্দেগী নকৰিবা, সেই কাল আহিছে*” (ইউহোন্না ৪:২১)। এবাদত কেনে ঠাইতনো কৰিব লাগে সেই কথা তেওঁক মহিলা গৰাকীয়ে সোধোতে তেওঁ কৈছিল যে নাবলুছ্ পাহাৰতো নহয় আৰু যিৰূচালেম নগৰতো নহয়। তেওঁ বুজাইছিল যে **আল্লাহ সকলোতেই বিৰাজমান আৰু আমি য'তেই নাথাকো কিয়, সকলো ঠাইতে তেওঁক এবাদত-বন্দেগী কৰিব পাৰোঁ।**

ঈছা ৰূহুল্লাহ গোপন স্থানত ব্যক্তিগত এবাদতৰ ওপৰত অধিক গুৰুত্ব দিয়ে। তেওঁ কৈছিল, “*কিন্তু যেতিয়া তুমি মোনাজাত কৰা, তেতিয়া তোমাৰ ভিতৰৰ কোঁঠালিত সোমোৱা, আৰু দুৱাৰ জপাই, গুপুতে থকা তোমাৰ আব্বাৰ আগত মোনাজাত কৰা; তাতে গুপুতে*



এজন ওৱালি-আল্লাহে কৈছিল, “**পুৱাৰ সময়কনেই হ'ল দিনটোৰ দুৱাৰ স্বৰূপ** ... **এবাদতৰ দ্বাৰাই সেই দুৱাৰখন পহৰা দি ৰখাটো ভাল।**” আন এজনে কৈছিল, “**পুৱা** ... **ভাগটো এডাল জৰিৰ দৰে, যিটোৱে আমাৰ দৈনন্দিন কাম-কাজক বান্ধি ৰাখে, সেয়ে তা** ... **মোনাজাতেৰেহে বান্ধি ৰখাটো ভাল।**” ইঞ্জিল শ্বৰীফৰ ধৰ্ম বিশ্বাসে মোনাজাতক কোে ... বিশেষ সময়ৰ বান্ধোনত সীমিত কৰি ৰখা নাই বৰং অন্তৰৰ আগ্ৰহৰ ওপৰতে এৰি দিছে। য ... হৃদয় আল্লাহ পাক্‌ৰ সৈতে সংযোগ হৈ আছে, তেওঁ এবাদত বন্দেগী কৰে আৰু কেতিয়া ... ক্লান্ত নহয়। তেওঁৰ মোনাজাতত আল্লাহৰ প্ৰশংসাৰ কাৰণে এটি শব্দও নাথাকিব পাৰে, তথাপি ... সেয়া হয়তো তেওঁৰ মহিমাৰ গানেৰেই ভৰি থাকে। খোদাৰ কালামৰ পৰা বুজি পোৱা মতে ... ই প্ৰয়োজনৰ এটা অৱস্থাহে; আচৰণ বা ক্ৰিয়াকলাপৰ বাহ্যিকতা নহয়। শব্দৰ বাহুল্যতকৈ ... ইয়াত ৰূহানী তাগিদা অধিককৈ থাকে আৰু ধৰ্মীয় কৰ্তব্য পালনতকৈ মহব্বতত নিমগ্ন ... খোদাৰে সৈতে আত্মীয়তা থাকে।

এইটো সঁচা যে মছীহই তেওঁৰ চাহাবীসকলৰ সন্মুখত মোনাজাতৰ এক জীৱন্ত নমু ... দাঙি ধৰিছিল, কিন্তু এনে কোনো ধৰা-বন্ধা নিয়ম দিয়া নাছিল, যাৰ দ্বাৰাই মোনাজাত কৰাটো ... এক কঠিন বোজা হৈ পৰে। তেওঁ ইয়াক এনে এটি আৰম্ভণি কেন্দ্ৰ কৰিবলৈ বিচাৰিছি ... যিটোৱে কলি আনিব, ফুল ফুলাব আৰু দিগন্তত বিয়পি পৰিব। তেওঁ এই নমুনা দিবলৈ ... কৈছিল, “এইদৰে প্ৰাৰ্থনা কৰা,” যাক ক'ব পাৰি ৰূহানী দিশেৰে মোনাজাতৰ এক ব্যৱস্থা ...

## কুইজ আমি কিদৰে মোনাজাত কৰোঁ?

প্ৰিয় বন্ধুসকল, এই কিতাপখন পঢ়াৰ পাছত তলৰ প্ৰশ্নসমূহৰ উত্তৰ চিন্তা কৰি দিয়ব ... উত্তৰ সমূহৰ নটাই যদি শুদ্ধ হয়, তেন্তে আমি আপোনালৈ আন এখন কিতাপ বিনামূলীয়াকৈ ... পঠিয়াম। এইদৰে আপুনি এখন পুস্তক পঢ়ি শেষ কৰিলে আমি প্ৰমাণ পত্ৰ পঠিয়াম।

**প্ৰশ্নসমূহ ঃ**

(১) মোনাজাত কৰাটো ব্যক্তি এজনৰ স্বাভাৱিক অভিপ্ৰায় নে কিবা লাভৰ উদ্দেশ্যে ... মোনাজাত কৰা হয়?

(২) মোনাজাতনো কি আৰু ই কি বুজায়?

(৩) আল্লাহৰ সন্মুখত আমি মোনাজাত কৰি থাকোঁতে আমাৰ ভিতৰৰ আচৰণ কে ... হোৱা উচিত?

(৪) আমি কিমান সঘনাই মোনাজাত কৰিব লাগে?

(৫) আমি কেনে ঠাইত মোনাজাত কৰিব লাগে?

(৬) মোনাজাত কবুল হ'বলৈ কি কি চৰ্ত আছে?

(৭) ফলপ্ৰসু এবাদতৰ গোপন কথাটোনো কি?

(৮) মোনাজাত কবুল নোহোৱাৰ কাৰণবোৰ কি কি?



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

দৰবাৰত ফলপ্ৰসু হয়। সন্দেহ থকা বান্দা এজনে খোদাৰ পৰা একোকে পাব নোৱাৰে। মোনাজাতকাৰীয়ে সম্পূৰ্ণ একীন আৰু আকীদা ৰাখিব লাগিব যে, (ক) আল্লাহ অস্তিত্বশীল।

(খ) আল্লাহে মোনাজাত শুনিবলৈ আৰু তাৰ সঁহাৰি দিবলৈ সক্ষম।

(গ) আল্লাহে উত্তৰ দিবলৈ ভাল পায়।

(ঘ) আল্লাহে নিশ্চয় জবাব দিব যদিহে আমাৰ মোনাজাত তেওঁৰ ইচ্ছা অনুসাৰে আৰু আমাৰ কল্যাণৰ কাৰণে হয়।

(৬) মোনাজাতকাৰীয়ে অৱশ্যেই নিজৰ গৌৰৱ নিবিচাৰি আল্লাহৰ গৌৰৱহে বিচাৰিব লাগিব। নাইবা লোভ আৰু প্ৰলোভনৰ বশৱৰ্তী হৈ নিজৰ ব্যক্তিগত অভিলাষ সিদ্ধ কৰিবলৈ বিচাৰিব নালাগিব।

(৭) মোনাজাত মছীহৰ নামতে উৎসৰ্গ কৰা হ'ব লাগিব, কিয়নো কিতাবুল মোকাদ্দাছ অনুসাৰে তেৱেঁই একমাত্ৰ মধ্যস্থতাকাৰী আৰু ছাফায়ৎকাৰী।

(৮) মোনাজাত অৱশ্যেই আল্লাহ-পাক্‌ৰ উদ্দেশ্যে আৰু দাবী অনুসাৰে হ'ব লাগিব।

## ১২। ক'ত আৰু কিমান ৰাক্ত মোনাজাত কৰিব লাগে?

ইহুদীসকলৰ ধৰ্মশাস্ত্ৰ টালমুডৰ মতে এজন ব্যক্তিয়ে দিনটোত তিনিবাৰতকৈ অধিক মোনাজাত কৰা নিষিদ্ধ, কিয়নো ঘন্টাই ঘন্টাই মানুহৰ মোনাজাতৰ প্ৰতি মনোযোগ দিবলৈ গৈ আল্লাহ-তা-আলাই যেন ভাগৰি নপৰে। কিন্তু আল্লাহৰ ফালৰ পৰা অহা মছীহই শিকাইছিল যে, "*তেওঁলোকে নিৰুৎসাহী নহৈ, সদায়ে মোনাজাত কৰি থকা উচিত*" (লূক ১৮:১)। অৱশ্যে তেওঁ এইটো বুজোৱা নাছিল যে আমি দিনটোৰ চৌবিশ ঘন্টায়ে ছিজ্‌দা দি থাকিব লাগিব; বৰং ইয়াৰ অৰ্থ হ'ল মোনাজাত কৰিবলৈ আমি কেতিয়াও যেন ভাগৰি নপৰোঁ।

দিনটোত কিমানবাৰ দোৱা কৰিব লাগিব, তাক নিৰ্দিষ্টকৈ কিতাবুল মোকাদ্দাছত লিখা হোৱা নাই; কিন্তু মোনাজাতৰ জীৱন কটোৱা মহান লোকৰ অনেক উদাহৰণ তাত পোৱা যায়। দানিয়েল নবীয়ে পুৱা, দুপৰীয়া আৰু সন্ধিয়া মোনাজাত কৰিছিল। দায়ূদ নবীয়ে কৈছিল, "*তোমাৰ দ্বীনদাৰিৰ আহ্‌কামৰ কাৰণে, মই দিনে সাতবাৰকৈ তোমাৰ প্ৰশংসা কৰোঁ*" (জব্বুৰ ১১৯:১৫৪)।

ইঞ্জিল শ্বৰীফে আমাক কয় যে ঈছা ৰূহুল্লাহে প্ৰতিদিনে দোক্‌মোকালিতে উঠি কোনো নিৰ্জন ঠাইলৈ গৈ এবাদত কৰিছিল (মাৰ্ক ১:৩৫)। কিতাবুল মোকাদ্দাছৰ বাহিৰৰ এবাদতকাৰীসকলৰ জীৱনলৈ চালে আমি মন কৰোঁ যে তেওঁলোকৰ সৰহ ভাগেই দিনটোৰ কাম আৰম্ভ হোৱাৰ আগেয়ে অতি পুৱাতে এবাদত কৰে, যিটো মোনাজাতৰ বাবে অতি উত্তম সময়। নিঃসন্দেহে ফেহুজালি দিয়া সময়কনেই ৰূহানী ধ্যানৰ বাবে উত্তম সময়। সেই সময়ত আমাৰ ৰূহটো সজীৱ আৰু সজাগ হৈ থাকে। আমাৰ খোদাবন্দক আমাৰ সময়ৰ প্ৰথম ভাগ দিয়াটো সদায়েই ভাল।



*দেখা তোমাৰ আব্বায়ে তোমাক প্ৰতিদান দিব*" (মথি ৬:৬)।

এই গোপনীয়তাৰ উদ্দেশ্য হ'ল নিৰ্জন স্থানত এবাদতকাৰীজন যাতে কেৱল বেহে
আব্বাৰ সৈতেহে সময় কটাব পাৰে। আমি যেতিয়া মছীহই পৰ্বতৰ ওপৰত দিয়া খোৎ
পোহৰত এবাদত কৰোঁতে গভীৰ একীনেৰে সৈতে ছিজদা দিওঁ, তেতিয়া ৰূহুল কুদ্দু
বৰ্ণনাৰ দৰে দেখা পাওঁ যে এবাদতৰ এই নিৰ্জন স্থান আল্লাহৰ নূৰৰ দ্বাৰা উজলি উঠি
আমি দেখিছোঁ যে তেওঁ তিনিবাৰ "আব্বা" নামটোৰ পুনৰাবৃত্তি কৰিছে। যেনে তেওঁ কৈছি
"**তোমাৰ আব্বাৰ ওচৰত মোনাজাত কৰা,**" "**তোমাৰ আব্বাই তোমাক প্ৰতিদান দি**
**আৰু "তোমাৰ আব্বাই জানে, তোমাৰ কি কি বিষয়ৰ প্ৰয়োজন আছে**"।

নিৰ্জন স্থানত নিস্তব্ধতা আৰু শান্তি বিৰাজ কৰে। ঈমানদাৰ বান্দাৰ পক্ষে বেহে
আব্বাৰ সৈতে আনন্দ উপলব্ধিৰ বাবে উপযুক্ত পৰিবেশ ইয়ে আনি দিয়ে। তেনে ঠাইত যি
বিয়পি যায়, সিয়ে জীৱনক সজীৱ কৰে। পৰিবেশৰ মাজত যি প্ৰেৰণাদায়ক প্ৰাণৰ সঞ্চাৰ হ
সেয়া আহে পাক্‌ৰূহৰ নিশ্বাসৰ দ্বাৰায়। পাক্ ৰূহে আল্লাহৰ মহব্বতক আমাৰ অন্তৰৰ গভী
তলিত প্ৰৱেশ কৰোৱাই দিয়ে। খোদাবন্দ ঈছা মছীহে তালিম দিছিল যে, "*তোমালো*
*যেতিয়া মোনাজাত কৰা, তেতিয়া কপটীয়াবিলাকৰ নিচিনা নহ'বা; কিয়নো মানুহে দেখিব*
*তেওঁ বিলাকে এবাদতৰ গাহে গাহে আৰু আলিবাটৰ চুকে চুকে থিয় হৈ মোনাজাত কৰিব*
*ভাল পায়*" (মথি ৬:৫)। আচলতে তেওঁলোকে আল্লাহক সন্তুষ্ট কৰাতকৈ মানুহৰ প্ৰশংসা
পাবলৈ বিচাৰে। সেয়ে আমাৰ বেহেস্তী শিক্ষকে কৈছিল, "দুৱাৰ জপাই লোৱা।" দুনিয়
আমনিৰ পৰা আঁতৰি থাকিবলৈ দুৱাৰ জপাই ল'ব লাগে যাতে আব্বাৰ একান্ত সান্নিধ্য ল
কৰা যায়, যিজনাই অতি হেঁপাহেৰে আপোনাৰ কাৰণে অপেক্ষা কৰি থাকে। এজন দাৰ্শনি
কৈছিল, "**যেতিয়া আপুনি দুৱাৰখন জপাই কোঠাটোত অকলে থাকে, তেতিয়া নিজ**
**নক'ব যে 'মই অকলশৰীয়া' বৰং মনত ৰাখিব যে আল্লাহ তাত উপস্থিত আছে**"।

"ভিতৰৰ কোঠালিত সোমাই দুৱাৰখন জপাই লোৱা" - খোদাবন্দৰ এই তালিমৰ অ
এইটো নহয় যে, কেৱল বন্ধ কোঁঠালিৰ মাজেৰেই আল্লাহৰ সৈতে একান্ত হ'ব পাৰি, ব
তাৰ অৰ্থ হ'ল, এবাদতৰ কাৰণে এটা নিৰ্জন, শান্ত আৰু নিস্তব্ধ ঠাই বিচাৰি ল'ব লাগি
উদাহৰণ স্বৰূপে এবাদত বন্দেগীৰ কাৰণে ইয়াকুবে বিচাৰি লৈছিল এখনি মুকলি পথা
নথনিয়েলে বিচাৰি লৈছিল ডিমৰু গছৰ ছাঁ, পিতৰে বিচাৰি লৈছিল ঘৰৰ ওপৰ ছাদৰ নিৰ্জন
নাইবা স্বয়ং মছীহই বিচাৰি লৈছিল পাহাৰৰ ওপৰৰ শূণ্যতা।

মোনাজাত সমন্ধে তালিম দিয়া ঈছা ৰূহুল্লাহে কৈছিল, "তোমাৰ আব্বাৰ ওচৰত মোনাজ
কৰা, যিজনাক দেখা নাযায়।" তেওঁ আমাক ইয়াকে বুজাবলৈ বিচাৰিছিল যে শাৰীৰিক চকু
আল্লাহক দেখা পোৱা নাযায়, কিন্তু ঈমানৰ চকুৰে তেওঁক দেখা পোৱাটো সম্ভৱ। যিসব
এবাদতকাৰীয়ে দুনিয়াৰ পৰা বিচ্ছিন্ন হৈ মছীহৰ ৰূহৰ পৰিচালন-শক্তিৰ ওচৰত আত্ম-সমপ
কৰিছে, তেনে প্ৰত্যেকৰে কবলত আল্লাহ-পাকে নুৰে ৰৌছন দিছে আৰু মছীহৰ ৰূহে তেও
আল্লাহ পাক্‌ৰ অতি ওচৰলৈ লৈ আনিছে। **গোপন স্থান, বন্ধ কোঁঠালি নাইবা দুনিয়াৰ সম্প**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

**পৰা বিচ্ছিন্নতা- এইবোৰ হৈছে নিৰ্জন প্ৰশান্ত এবাদত গাহৰ সমতুল্য, য'ত বহি আল্লাহ ৰাব্বুল আলামীনৰ পূৰ্ণতা আৰু তেওঁৰ পিতৃসুলভ মহব্বতৰ সান্নিধ্যৰ মাজত আমি গভীৰভাৱে ধ্যান কৰিব পাৰোঁ।**

## ৬। মোনাজাতৰ উত্তৰ পোৱাৰ কিবা চৰ্ত আছেনে?

ছাইয়েদানা ঈছা ৰূহুল্লাহে "*তোমালোকে যদি মোত থাকা, আৰু মোৰ কালামো যদি তোমালোকত থাকে, তেন্তে যিহকে ইচ্ছা কৰা, তাকে খোজা, তাকে তোমালোকলৈ কৰা হ'ব*" (ইউহোন্না ১৫:৭)। ৰছুল ইউহোন্নাই কৈছিল, "*হে প্ৰিয়বিলাক, আমাৰ হৃদয়ে যদি আমাক দোষী নকৰে, তেন্তে খোদাৰ উদ্দেশ্য আমাৰ সাহ আছে; আৰু আমি যিহকে যাচ্না কৰোঁ তাকেই আমি তেওঁৰ পৰা পাওঁ; কিয়নো আমি তেওঁৰ হুকুমবোৰ পালন কৰোঁ, আৰু তেওঁৰ নিগাহত যি যি সন্তোষজনক, তাকে কৰোঁ; তেওঁৰ পুত্ৰ (ৰূহানী) ঈছা মছীহৰ নামত আমি যেন ঈমান আনো, আৰু তেওঁ আমাক দিয়া হুকুমৰ দৰে যেন আমি পৰস্পৰে মহব্বত কৰোঁ, ইয়ে তেওঁৰ হুকুম*" (১ ইউহোন্না ৩:২১-২৩)।

দুনিয়াত যিকোনো মধ্যস্থকাৰীৰ ক্ষমতা আৰু প্ৰভাৱ তেওঁৰ ব্যক্তিত্বৰ ওপৰত আৰু যাৰ কাৰণে মধ্যস্থতা কৰিছে, তেওঁৰ সৈতে থকা মধ্যস্থতাকাৰীৰ সম্পৰ্কৰ ওপৰত নিৰ্ভৰশীল। গতিকে আল্লাহ-পাক্‌ৰ তৰফৰ পৰা এবাদত আৰু মোনাজাতৰ জবাব পোৱা ঈছা-কালেমাতুল্লাহৰ ব্যক্তিসত্তাৰ ওপৰত নিৰ্ভৰ কৰে, কিয়নো তেঁৱেই একমাত্ৰ মধ্যস্থতাকাৰী, আৰু আমাৰ পক্ষে তেওঁৰ মধ্যস্থতাৰ চৰ্ত হৈছে, "তেওঁৰে সৈতে থকা আৰু তেওঁৰ কালাম আমাৰ হৃদয়ত থকা।"

ঈছা মছীহে আঙুৰ গছৰ উপমাৰ দ্বাৰা এই "থকা"ৰ ব্যাখ্যা কৰিছে। য'ত তেওঁ কৈছে, "*ময়েই প্ৰকৃত দ্ৰাক্ষালতা; মোৰ আব্বা খেতিয়ক; মোৰ যি যি ডালত গুটি নধৰে তেওঁ সেইবোৰ গুচাই পেলায়; আৰু যি যি ডালত গুটি ধৰে, সেইবোৰত আৰু অধিক গুটি ধৰিবলৈ পৰিস্কাৰ কৰি দিয়ে। মই তোমালোকক কোৱা কালামৰ গুণে তোমালোক এতিয়া পাক্ পৱিত্ৰ হৈছা। তোমালোক মোত থাকা, মইয়ো তোমালোকত থাকিম। দ্ৰাক্ষালতাত লাগি নাথাকিলে, ডালে যেনেকৈ আপোনা-আপুনি গুটি ধৰিব নোৱাৰে, তেনেকৈ মোত নাথাকিলে, তোমালোকেও নোৱাৰা*" (ইউহোন্না ১৫:১-৫)। প্ৰকৃত ঈমানদাৰসকল মছীহৰ ডাল, যিজনাই হ'ল প্ৰকৃত আঙুৰ-লতা আৰু তাতে লাগি থকা ডালবিলাকৰ পক্ষেই কেৱল মোনাজাতৰ জবাব পোৱা সম্ভৱ। বাস্তৱিকতে, প্ৰতিজন ঈমানদাৰৰ পৰা ইয়াকে আশা কৰা হয় যে তেওঁ মছীহৰ মাজতে থিৰে থাকক, তেওঁৰ আহকামবোৰ পালন কৰক আৰু মনে-প্ৰাণে তেওঁৰ প্ৰতি সম্পূৰ্ণ আনুগত্য বজাই ৰাখক। তেতিয়াহে তেওঁ সম্পূৰ্ণ দ্বীনদাৰীৰে সৈতে মোনাজাত কৰিব পাৰিব আৰু আল্লাহে তেওঁৰ নিবেদিত আৰজ কবুল কৰিব।

কোনো কোনোৱে আঙুৰ গছৰ সৈতে জড়িত ডালৰ ৰহমপূৰ্ণ জীৱন পাবলৈ ব্যৰ্থ হৈ হতাশ হৈ পৰে। কিন্তু আঙুৰ-লতাৰ উদাহৰণত যিবোৰ গুৰুত্বপূৰ্ণ কথা কোৱা হৈছে, তাৰ্লৈ তেওঁলোকে ধ্যান দিব লাগিব। খোদাবন্দ ঈছা মছীহে তাত কৈছে, "ময়েই প্ৰকৃত দ্ৰাক্ষালতা



মাজত থকা প্ৰতিটো ৰহমতৰ কাম সদায়েই ছাফায়তৰ দ্বাৰাই আগবাঢ়ে আৰু আমাৰ ওপৰ
বেহেস্তী মোহৰ মৰা প্ৰতিটো আছমানী বৰকৎ মছীহৰ ছুপাৰিছ আৰু ছাফায়তৰ মাধ্যমেৰে
আহে। সন্দেহ নকৰাকৈয়ে ক'ব পাৰি যে মছীহৰ ছাফায়ৎ আহিছে, তেওঁ দিয়া কাফ্‌ফা
আৰু সেই কাফ্‌ফাৰাৰ গৌৰৱৰ ফল হিচাবে কোৰবানী দিছিল, তাৰ এটিয়েই মাত্ৰ উদ্দেশ
আছিল যে তেওঁলোকৰ নাজাতৰ দ্বাৰাই আল্লাহৰ গৌৰৱ প্ৰতিষ্ঠা হোৱা আৰু মছীহৰ ছাফায়ত
দ্বাৰাই সেই উদ্দেশ্য ফলৱতী হয়। এইদৰে গুণাহগাৰৰ নাজাতে আল্লাহক মহিমান্বিত কৰে
বিপৰীত ক্ৰমে নাজাত প্ৰাপ্ত ব্যক্তিয়ে নিজৰ নাজাতৰ মাধ্যমত আল্লাহৰ জালালৰ প্ৰশংস
উপায় হৈ পৰে।

## ১১। মোনাজাত কবুল হোৱাৰ চৰ্ত কি?

মোনাজাত কবুল হ'বলৈ কিছুমান নিৰ্দিষ্ট চৰ্ত থাকে, সেয়ে নহ'লে মোনাজাতৰ কোনে
মূল্যই নাথাকিব। তলত উল্লেখ কৰা কেইটামানেই হ'ল অতি গুৰুত্বপূৰ্ণ চৰ্ত ঃ

(১) দোৱা অৱশ্যেই অন্তৰৰ ভিতৰৰ পৰা ওলাব লাগিব। যি জন খোদায়ে অন্তৰখ
জুখি চায়, সেই জন খোদাৰ বাবে শব্দৰ আৰু বাক্যৰ বাহুল্য নাইবা বাহিৰৰ চেহেৰাৰ সৌন্দৰ্য
কোনো প্ৰয়োজন নাই। যি মোনাজাত হৃদয়ৰ পৰা ওলাই নাহে, সি খোদাক সন্তুষ্ট কৰি
নোৱাৰে, তেওঁ তাক কবুলো নকৰে।

(২) মোনাজাত অৱশ্যেই শ্ৰদ্ধা-ভক্তিৰে কৰিব লাগিব আৰু আল্লাহৰ সামাহীন মহিম
পৱিত্ৰতা, প্ৰজ্ঞা আৰু ক্ষমতাৰ সৈতে সংগতিপূৰ্ণ হ'ব লাগিব। সত্য ধৰ্মৰ প্ৰথম আৰু প্ৰধ
নীতি যিহেতু আল্লাহক সন্তুষ্ট কৰা, সেয়ে যিবিলাকে আল্লাহক জানে, তেওঁৰ পাক্ নাম
মহিমাৰ জয়গান কৰে, আছমানী ফিৰিস্তাসকলৰ দৰে ভক্তিৰে সৈতে তেওঁক ছিজ্‌দা কৰে
সেইজন খোদাৰ ওচৰলৈ ভক্তিহীন ভাৱে কেৱল শব্দৰ ব্যহুল্যেৰে অহা উচিত নহয়।

(৩) মোনাজাত অৱশ্যেই বিনয়েৰে আৰু সৰু হৈ সমাধা কৰিব লাগিব। আমি মন
ৰাখিব লাগিব যে আমাৰ না-পাকী, কলুষতা আৰু গুনাহৰ কাৰণে আল্লাহৰ কবুলিয়ৎ লাভ
অযোগ্য। সেয়ে আমি নিশ্চয়কৈ ইছায়াহ নবীৰ দৃষ্টান্ত অনুসৰণ কৰিব লাগিব, য'ত তে
কৈছে, "হায় হায় মই নষ্ট হ'লোঁ, কিয়নো মই না-পাকী ওঁঠৰ মানুহ" (ইছায়াহ ৬:৫)।

(৪) ই অৱশ্যেই খোদাৰ ওচৰত সম্পূৰ্ণকৈ সমৰ্পণ কৰাৰ চেতনাৰে উৎসৰ্গ হ'ব লাগিব
যিয়ে খোদাৰ ওচৰত নিজকে সমৰ্পণ কৰে, তেওঁৰ নিৱেদন যিয়েই নহওক লাগিলে, তে
এইদৰে কওঁক, "খোদাবন্দ, মোৰ ইচ্ছাৰে নহয়, কিন্তু তোমাৰ ইচ্ছাহে সাধন কৰা।" **নিৰুপা
এটি শিশুয়ে যদিহে তাৰ সকলো ধৰণৰ চাহিদাৰ কাৰণে জাগতিক আব্বাৰ ওচৰত নিৰ্ভ
কৰিবলগীয়া হয়, তেনেহ'লে সৰ্বশক্তিমান আছমানী আব্বাৰ ওচৰত আমি যে আৰু কিমা
অধিককৈ আমাৰ ইচ্ছা তেওঁৰ ওচৰত সমৰ্পণ কৰিব লাগিব; কিয়নো তেৱেঁই একমা
জানে আমাৰ কাৰণে কোনটো ভাল।**

(৫) ই ঈমানৰ ভিত্তিত হ'ব লাগিব, কিয়নো ঈমানেৰে সৈতে কৰা দোৱাহে খোদ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মোনাজাত কৰিব লাগে। "*তোমালোকে মোৰ নামেৰে যদি মোক কিবা খুজিবা, তেন্তে মই তাক সিদ্ধ কৰিম*", এই কালামৰ অৰ্থ হ'ল, আব্বাৰ ওচৰত কোনো মোনাজাত কৰা হ'লে মছীহই নিজৰ নাম আৰু অধিকাৰেৰে তাৰ জবাব দিব। ঈমানদাৰসকলে মছীহৰ নামেৰে মোনাজাত কৰে আৰু মছীহই আব্বাৰ নামেৰে কৰ্মসাধন কৰি থাকে।

বাস্তৱিকতে কোনো ব্যক্তিয়ে যেতিয়া ঈমান স্থাপন কৰে, তেতিয়া প্ৰথমে তেওঁ মছীহৰ যোগ্যতা আৰু তেওঁৰ মধ্যস্থতাৰ ক্ষমতাৰ বিষয়ে চিন্তা কৰে আৰু সেইটোৱেই ঈমানৰ ভিত্তি। ইয়াৰ পাছত যেতিয়া তেওঁ মছীহৰ ৰহমতত আৰু জ্ঞানত বৃদ্ধি পাই গৈ থাকে, তেতিয়া মছীহৰ সৈতে তেওঁৰ গভীৰ মিলন ঘটে। ফলস্বৰূপে তেওঁ জানিব পাৰে যে মছীহৰ নামৰ এবাদতৰ অৰ্থ হ'ল মছীহৰ ৰূহানী অস্তিত্বৰ এবাদত। আন কথাত ক'বলৈ গ'লে মছীহৰ সৈতে হোৱা মিলনে আমাৰ মাজত মছীহৰ প্ৰকৃতি আৰু চৰিত্ৰৰ সহভাগিতা আনি দিয়ে আৰু তেতিয়া আমি তেওঁৰ এবাদতৰ শক্তি অৰ্জন কৰোঁ।

তেওঁ কৈছিল, "যদি তোমালোকে মোত থাকা আৰু মোৰ কালাম তোমালোকত থাকে, তেন্তে তোমালোকে যি যি বিচাৰা, সেই সকলো তোমালোকক দিয়া হ'ব।" ইয়াৰ অৰ্থ হ'ল যিসকল ঈমানদাৰৰ হৃদয়ত মছীহই নিবাস কৰে, তেওঁলোকে মছীহৰ নামৰ অন্তৰ্নিহিত শক্তি উপলব্ধি কৰিব পাৰে। ইয়াত আচৰিত হ'বলৈ একো নাই, কিয়নো মছীহই আমাক তালিম দিছিল এবাদতনো কি, তেওঁৰ নামত মোনাজাত কৰাৰ অৰ্থনো কি, কিদৰে মোনাজাত সফল কৰিব লাগে আৰু তেওঁৰ সৈতে মিলন হৈ কেনেকৈনো এবাদত কৰা যায়।

## ১০। আমাৰ ছাফায়ৎকাৰীনো কোন?

কিদৰে মোনাজাত কৰিব লাগে, সেই তালিম মছীহই আমাক দিছিল আৰু তেওঁৰ বেহেস্তী কালামৰ দ্বাৰা তেওঁৰ নামেৰে এবাদত, বন্দেগী আৰু মোনাজাতৰ উদ্দেশ্যনো কি, সেয়া আমি বুজিব পাৰিলোঁ। কিন্তু আমাৰ পক্ষে ছাফায়তকাৰী আৰু মধ্যস্থতাকাৰী হিচাবে মছীহৰ ভূমিকাৰ বিষয়ে আমি জানিব লাগিব।

মছীহই তেওঁৰ চাহাবীসকলৰ ওচৰত যি মধ্যস্থতাৰ মোনাজাতেৰে নিজৰ বিদায়ী খোৎবা শেষ কৰিছিল, তাৰ দ্বাৰাই তেওঁ নিজৰ সকলো অতীতৰ কৰ্মক মোহৰ মাৰি দিছিল। তাৰ পাছত তেওঁ নিজৰ কাৰণে এইদৰে মধ্যস্থতা কৰে, "মই তেওঁলোকৰ বাবে মোনাজাত কৰোঁ ...... তোমাৰ নামৰ বাবে তেওঁলোকৰ হেফাজৎ কৰা ......... তোমাৰ সত্যেৰে তেওঁলোকক পাক্-পৱিত্ৰ কৰা।" নিঃসন্দেহে এই মোনাজাত বেহেস্তত তেওঁৰ মধ্যস্থতাৰ এটি নমুনা। এই সত্যেৰে অনুপ্ৰাণিত হৈয়ে ৰছুল পৌলে কৈছিল, "*এই কাৰণে যিবিলাক তেওঁৰ দ্বাৰাই আল্লাহৰ ওচৰ চাপে, তেওঁ তেওঁবিলাকৰ নিবেদন কৰিবলৈ সদায় জীয়াই থকাত, সদাকালৰ অৰ্থে তেওঁবিলাকৰ নাজাত কৰিব পাৰে*" (ইব্ৰী ৭:২৫)।

এই আয়াতৰ পৰা আমি বুজি পাওঁ যে তেওঁ আজিলৈকে একে-লেখাৰিয়ে বেহেস্তত বহি আমাৰ কাৰণে নাজাতৰ কাম কৰি আছে, যেনেকৈ তেওঁ দুনিয়াত থকা কালতো আল্লাহৰ সৈতে অবিৰাম সহভাগিতাত থাকি আমাৰ কাৰণে প্ৰত্যক্ষভাৱে ছুপাৰিছ কৰিছিল। মছীহৰ



... আৰু তোমালোক তাৰ ডাল।" ইয়াৰ পৰা বুজা যায় যে, আমাৰ কাৰণে আছে বেহে
মৰ্য্যদাৰে পূৰ্ণ এজন গৌৰবোজ্জ্বল পুত্ৰ (ৰূহানী অৰ্থত আৰু তাৎপৰ্যত), আৰু আছে এজ
আব্বা, যি জনাই প্ৰতিটো ডালৰ যথাযথ বৃদ্ধিৰ দিশে লক্ষ্য কৰি আছে। আমি যদি ডাল
সৈতে লাগি থাকিবলৈ অৱহেলা কৰোঁ, তেন্তে আমাৰ বৃদ্ধি বাধাপ্ৰাপ্ত হব আৰু তাৰ দ্বাৰ
আমাৰ সুফলসমূহ সীমিত হৈ থাকিব। তেনে ক্ষেত্ৰত হিফাজতকাৰীয়ে আমাক কাটিকু
পৰিস্কাৰ কৰিবলৈ হাতত দা ল'ব।

কিতাবুল মোকাদ্দাছত (অৰ্থাৎ তৌৰাত, জব্বুৰ আৰু ইঞ্জিল শ্বৰীফ) হজৰত ইব্ৰাহী
হজৰত মুছা আৰু হজৰত ইলিয়াছৰ জীৱনৰ উদাহৰণেৰে এবাদত বন্দেগীৰ শক্তিৰ বিষ
অনেক দৃষ্টান্ত দাঙি ধৰা হৈছে আৰু তেওঁলোকৰ জীৱনৰ ফল উৎপাদন শক্তিৰ বিৱৰণ দি
হৈছে। এইবোৰ বিবেচনা কৰিলে আমি দেখা পাওঁ যে বিশেষ আছমানী অধিকাৰ আৰু ৰহ
লাভৰ আগেয়ে তেওঁলোকে আল্লাহে দিয়া শৃংখলাক আনন্দেৰে আৰু আন্তৰিকতাৰে মা
লৈছিল আৰু ছয়তানৰ কবলত থকা দুনিয়াৰ পৰা নিজকে পৃথক কৰি আল্লাহৰ আহকাম্বে
পালন কৰিছিল।

গতিকে প্ৰিয় বন্ধুসকল, এবাদকাৰী হিচাবে আপুনি যদি এই বিশেষ অধিকাৰসমূ
অৰ্জন কৰিব বিচাৰে, তেন্তে বেহেস্তী হিফাজতকাৰীৰ ওচৰত নিজকে সমৰ্পন কৰক। আপোন
জীৱনৰ অপ্ৰয়োজনীয় ডাল-পাতবোৰ তেওঁ পৰিস্কাৰ কৰি পেলাব। ভয় নাখাব, কিয়
সেই ছুৰি-কটাৰি হৈছে আল্লাহৰ কালাম। যেনেকৈ ঈছা কলেমাতুল্লাহে কৈছিল, "মই যিবে
কালাম তোমালোকক ক'লো, তাৰ দ্বাৰাই তোমালোকে ইতিমধ্যে পাক্-পৱিত্ৰ হৈছা। মছীহ
মধ্যস্থতাৰ মোনাজাত অনুসাৰে "তোমাৰ সত্যেৰে তেওঁলোকক পৱিত্ৰ কৰা; কিয়নো তোম
কালামেই সত্য।"

## ৭। ফলপ্ৰসু মোনাজাতৰ গোপন কথাটোনো কি?

"মই তোমালোকক স্বৰূপকৈ কওঁ, ছাইয়েদানা ঈছা মছীহে তেওঁৰ মুৰিদসকলক কৈছি
"*যি কোনোৱে এই পৰ্বতটোক কয়, ইয়াৰ পৰা উঠি সাগৰত পৰগৈ, আৰু মনত সংশয় নক*
*যি কয়, সেয়ে ঘটিব বুলি বিশ্বাস কৰে, তেন্তে সেয়ে তেওঁলৈ হৈ উঠিব। এই হেতুকে*
*তোমালোকক কওঁ, তোমালোকে মোনাজাত কৰি যি যি খোজা, সেই সকলোকে পালোঁ বু*
*বিশ্বাস কৰা, তেহে পাবা*" (মাৰ্ক ১১:২৩-২৪)। এই কুদ্ৰতী কালামে আমাক নিশ্চয়
দিছে যে ফলপ্ৰসু মোনাজাতৰ ৰহস্য হৈছে ঈমান। প্ৰকৃত ঈমানে আল্লাহৰ আৰছকো লৰ
পাৰে। মোনাজাতৰ কাৰণে খোদাবন্দে আমাক দুটি মৌলিক উপাদন প্ৰদান কৰিছেঃ

ক) **অন্তৰৰ আকাংক্ষা**

যিৰিমিয়া নবীৰ যোগেদি আল্লাহ-পাকে কৈছিল, "*আৰু তেতিয়া তোমালোকে মো*
*মাতিবা, আৰু গৈ মোৰ আগত মোনাজাত কৰিবা; তাতে মই তোমালোকৰ কথা শুনি*
(যিৰিমিয়া চল্লিছৰচ)। হৃদয়ৰ আকাংক্ষাই হ'ল মোনাজাতৰ প্ৰাণশক্তি স্বৰূপ। সেই আকাং
দুৰ্বল হ'লে মোনাজাত দুৰ্বল হ'বলৈ বাধ্য। কোনো ঈমানদাৰ ব্যক্তিয়ে ৰূহানী উত্থানৰ বাসনা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

শুদ্ধ আকাংক্ষাৰ অধিকাৰী হৈয়ো যদিহে আনফালে দুনিয়াৰ আশা-আকাংক্ষাক প্ৰথম স্থান দিয়ে, তেন্তে তেওঁ নিজৰ মোনাজাত আৰু বন্দেগীৰ মাজত প্ৰাণশক্তি আশা কৰিব নোৱাৰে। কিয়নো তেওঁ আল্লাহৰ আহ্‌কাম পালন কৰা তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা; তাতে এই সকলোও তোমালোকক দিয়া হ'ব" (মথি ৬:৩৩)।

**খ) ঈমান ঃ-** "মোনাজাতৰ মাজেৰে তোমালোকে যি যি বিচাৰা, বিশ্বাস ৰাখা, তোমালোকে সেয়া পালা।"

ঈমানৰ দ্বাৰাই আমি ঈছা ৰূহুল্লাহক গ্ৰহণ কৰোঁ, ঈমানৰ মাজেৰেই আমি জয়যুক্ত জীৱন কটাওঁ। সেইদৰেই ঈমানৰ মাজতেই আমাৰ মোনাজাত আৰু এবাদতৰ প্ৰাণ শক্তি লুকাই থাকে। গতিকে নতুনকৈ আমি জনা দৰকাৰ যে, ঈমাননো কি, ঈমানৰ মাজত জীৱন কটোৱা বুলিলে কি বুজায় আৰু ঈমানৰ মাজতে মোনাজাতৰ প্ৰাণশক্তি লুকাই থাকে- এই কথাটোৰ অৰ্থ কি?

ঈমানৰ বলতেই পৰ্বতকো স্থানান্তৰ কৰা সম্ভৱ। পৰ্বতক স্থানান্তৰ কৰাৰ অৰ্থ হ'ল অসম্ভৱক সম্ভৱ কৰা। প্ৰত্যেক যুগৰেই প্ৰত্যেক বংশৰ লোকক আল্লাহ্- পাকে ঈমান দান কৰে। খোদাবন্দে কৈছিল, "আল্লাহৰ ওপৰত ঈমান ৰাখা।" এই ঈমানৰ বলতেই তেতিয়াৰ মছীহী ঈমানদাৰসকলে অনেক অলৌকিক কাম কৰিছিল- দুৰাৰোগ্য বেমাৰ নিৰাময় কৰিছিল, ভুত খেদাইছিল আৰু তেওঁলোকৰ এই কামবোৰ আছিল পৰ্বত স্থানান্তৰ কৰাৰ দৰেই। যি এবাদত, মোনাজাত আৰু মধ্যস্থতাৰ জীৱনত আনন্দ, শক্তি, ৰহমতৰ বোৱঁতী সোঁত বৈ থাকে, তেনে জীৱন আমি যদি পাবলৈ বিচাৰোঁ, তেন্তে ঈমাননো কি বস্তু তাক অৱশ্যেই নতুন ধৰণে বুজিব লাগিব। কাৰণ ঈমানৰ মাজত থাকে আল্লাহৰ জিকিৰ আৰু তেওঁৰ কালামৰ ওপৰত নিৰ্ভৰ কৰিয়েই মানুহে ঈমান গ্ৰহণ কৰিবলৈ শিকে।

আল্লাহৰ ফালৰ পৰা মোনাজাতৰ জবাব চকুৰে নেদেখাকৈয়ে তাক মানি লবলৈ যি শক্তিয়ে শিকায়, সেয়ে হ'ল ঈমানৰ শক্তি। ঈমানে অদৃশ্য বস্তুকো দেখা পায়। কথাটো শুনিবলৈ আচৰিত যেন লাগিব পাৰে, কিন্তু সেইটোৱেই মোনাজাতৰ মৌল বিষয়। বেহেস্তী ৰহমত যে আছে, মোনাজাতৰ জবাব যে খোদায়ে দিয়ে চকুৰে তাক দেখা পোৱাৰ আগতেই ৰূহানীভাৱে বুজিব পৰা যায়। যি প্ৰাণে আল্লাহৰ ওচৰত মোনাজাতৰ উত্তৰ বিচাৰি থাকে, তাক এই আশ্বাস দিয়া হয় যে, ৰূহুল্লাহৰ কালাম অনুযায়ী সেয়া তেওঁক দিয়া হ'ব, আৰু তেওঁৰ সেই কালাম হৈছে, "*খোজা, তেহে তোমালোকক দিয়া হ'ব; বিচাৰা, তেহে পাবা; টুকুৰিওৱা, তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হ'ব*" (মথি ৭:৭)। ঈছা মছীহে কৈছিল, মোনাজাতেৰে তোমালোকে যি যি খোজা, একীন ৰাখিবা যে তাক পালা আৰু তোমালোকে সেয়া পাবা।" মোনাজতকাৰীলৈ এয়া এক আশ্বাসৰ প্ৰতিশ্ৰুতি যে আমাৰ বেহেস্তী আব্বাই ঈমানেৰে সৈতে কৰা মোনাজাত শুনে আৰু তাৰ উত্তৰ দিয়ে।

প্ৰিয় বন্ধুসকল, দুৰ্বলভাৱে হ'লেও প্ৰথমে আপুনি ঈমানেৰে সৈতে আৰম্ভ কৰক। মোনাজাতৰ এই নতুন জীৱন এনেকৈ আৰম্ভ কৰক আৰু আপুনি অন্তৰত আশ্বাস পাব যে



আপুনি মছীহৰ ৰহম লাভ কৰিছে। সেই ৰহমেই ক্ৰমান্বয়ে আপোনাক মোনাজাত আ
এবাদতৰ ওপৰত আস্থাশীল কৰি তুলিব। পাক্-ৰূহে আপোনাক হৃদয়ত কাম কৰিব বু
আশা ৰাখক। খোদায়ে তেওঁৰ কালামত নিজেইতো কৈছে, "*আৰু তেওঁবিলাকে নৌ মাতোঁতে*
*মই উত্তৰ দিম, আৰু তেওঁবিলাকৰ কথা নৌ ওৰ পৰোঁতেই মই শুনিম*" (ঈছায়াহ ৫৫:২৪)
আৰু যেনেকৈ তেওঁ কৈছে তেনেকৈয়ে তেওঁ নিশ্চয়ে কৰিব।

## ৮। আমাৰ মোনাজাতক কোনে পৰিচালনা কৰে?

ৰোমীয়াবিলাকৰ প্ৰতি হজৰত পৌলে লিখা চিঠিত আমি পঢ়িবলৈ পাওঁ, "*এইদ*
*পাক্-ৰূহেও আমাৰ দুৰ্বলতাত সহায় কৰে; কাৰণ উচিতমতে কি মোনাজাত কৰিব লা*
*তাক আমি নাজানো; কিন্তু পাক্-ৰূহে নিজে আমাৰ কাৰণে অনিৰ্ব্বাচনীয় কেঁকনিৰে আৰ*
*কৰে*" (৮:২৬)।

ইফিচীয়া সকলৰ প্ৰতি লিখা চিঠিতো আমি এইদৰে পাওঁ, "*সকলো মোনাজাত আ*
*আৰজেৰে সকলো সময়তে ৰূহানী দিলেৰে মোনাজত কৰা; আৰু ইয়াৰ কাৰণে পৰ*
*সকলো পৰহেজগাৰ লোকৰ কাৰণে সম্পূৰ্ণ ধৈৰ্য আৰু আৰজত লাগি থাকা*" (৬:১৮)
পাক্-ৰূহ হৈছে মোনাজাত, ৰহমত আৰু নিবেদনৰ ৰূহ, যাক ঈমানদাৰ বান্দাৰ ৰূহত বা
দিয়া হয়। কিতাবুল মোকাদ্দাছে সাক্ষ্য দিয়ে, "তেওঁ (পাক্-ৰূহ) আল্লাহ-পাকৰ ইচ্ছা
পৰহেজ্‌গাৰ বান্দাসকলৰ নিমিত্তে ৰূহেৰে আৰু সত্যেৰে মধ্যস্থতা কৰি থাকে।" আচলতে
আমাৰ মাজত পাক্-ৰূহৰ বিকাশেই হৈছে মোনাজাতৰ বহিঃপ্ৰকাশ। তেওঁৰ কাৰণে অপেক্ষ
কৰক, তেওঁৰ ওপৰত নিৰ্ভৰ কৰক আৰু তেওঁৰ ওপৰত ঈমান আনক। পাক্-ৰূহৰ পৰিচাল
ক্ষমতাৰ ওপৰত সমৰ্পণৰ অভাৱ হ'লে এবাদত আৰু মোনাজাতত হতাশা আৰু ব্যৰ্থতা না
আহে। আমি কিমান অধিককৈ পাক্-ৰূহৰ শক্তিৰে পৰিপূৰ্ণ হ'ব পাৰিছোঁ, তাৰেই ওপৰ
নিৰ্ভৰ কৰে সঠিক আৰু ফলদায়ক এবাদত আৰু মোনাজাত। "*হে আল্লাহ তুমি যে খোদাব*
*আৰু তুমিয়েই যে ইবিলাকৰ মন ঘূৰাইছা, তাক এই লোকবিলাকে জানিবৰ নিমিত্তে,*
*খোদা মোক জবাব দিয়া, মোক জবাব দিয়া*" (১ ৰাজাৱলি ১৮:৩৭)।

## ৯। কাৰ নামেৰে মোনাজাত উৎসৰ্গ কৰা উচিত?

ঈছা ৰূহুল্লাহে কৈছিল, "*আৰু পুত্ৰত যেন আব্বা (বেহেস্তী) মহিমান্বিত হয়, এই নিমি*
*মোৰ নামেৰে যিহকে খুজিবা, মই তাকে কবুল কৰিম। তোমালোকে মোৰ নামেৰে যদি মো*
*কিবা খুজিবা, তেন্তে তাক মই সিদ্ধ কৰিম*" (ইউহোন্না ১৪:১৩,১৪)। মছীহই বিচাৰিছি
তেওঁৰ নামৰ শক্তিৰ ওপৰত আমি যেন সম্পূৰ্ণ ঈমান ৰাখোঁ, তেওঁৰ ওচৰতে ছিজদাৰে আ
লওঁ, আৰু তেতিয়া তেওঁৰ নামেৰে কৰা সকলো মোনাজাতৰ উত্তৰ দিয়া হ'ব।

মছীহৰ নামত মোনাজাত কৰাৰ অৰ্থ এয়ে নহয় যে মোনাজাতৰ আৰম্ভণিতে আ
শেষত তেওঁৰ নাম উচ্চাৰণ কৰিলেই হ'ল; সেই সত্য আমি উপলব্ধি কৰিব লাগিব। আচলতে
তাৰ অৰ্থ হ'ল মছীহৰ ৰূহানী শক্তিত, তেওঁৰ পুণ্যসত্তাত আৰু ব্যক্তি সত্তাত থাকি আ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com